সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ৩৫ সংখ্যা, ১৫ ভাদ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.35 Date Of Publication - 1 September 2024 Rs.10.00/-

## নাৰীৰ বিৰুদ্ধে হোৱা অপৰাধজনিত ঘটনাত জড়িতৰ বিৰুদ্ধে দ্ৰুত সিদ্ধান্ত লোৱাৰ আৱশ্যকঃ প্ৰধানমন্ত্ৰী

ৰঙিলী বাৰ্তাসেৱা- নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত উচ্চতম ন্যায়ালয়ৰ ৭৫সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, নাৰীৰ বিৰুদ্ধে নিৰ্যাতন আৰু শিশুৰ সুৰক্ষা সমাজৰ কাৰণে গভীৰ উদ্বেগজনক। নাৰীৰ সুৰক্ষাৰ কাৰণে এতিয়া অতিকৈ জৰুৰী হৈ পৰিছে নাৰীৰ বিৰুদ্ধে অপৰাধজনিত গোচৰত জড়িত অভিযুক্তৰ বিৰুদ্ধে দ্ৰুত সিদ্ধান্ত লোৱাৰ সময়। পশ্চিমবংগৰ কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজ হাস্পতালৰ তৰুণী



চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডই দেশ কঁপাই থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাৰী নিৰ্যাতনকাৰীৰ বিৰুদ্ধে দ্ৰুত সিদ্ধান্ত নাৰীৰ সুৰক্ষাৰ বাবে অতি জৰুৰী বুলি কয়। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়, কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুনৰাম মেঘৱাল, উচ্চতম ন্যায়ালয় বাৰ-এছ'চিয়েচনৰ অধ্যক্ষ কপিল ছিবালকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়- আজি মহিলাৰ বিৰুদ্ধে নিৰ্যাতন বাঢ়িছে। শিশুৰ সুৰক্ষা সমাজৰ কাৰণে জৰুৰী। বহু কঠোৰ আইন মহিলা সুৰক্ষাৰ বাবে বলবৎ কৰা হ'লেও আমি ইয়াক অধিক সক্ৰিয় কৰা উচিত। মহিলাৰ বিৰুদ্ধে নিৰ্যাতনৰ গোচৰৰ শীঘ্ৰে ৰায় দিব লাগে। ইপিনে উচ্চতম ন্যায়ালয় সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়- উচ্চতম ন্যায়ালয়ৰ ৭৫ বছৰ মাথোঁ এটা প্ৰতিষ্ঠানৰ যাত্ৰা নহয়। এই যাত্ৰা ভাৰতৰ সংবিধান আৰু সাংবিধানিক প্ৰমূল্যৰ। এই যাত্ৰা ভাৰতৰ গণতন্ত্ৰ অধিক পৈণত হোৱাৰ। উচ্চতম ন্যায়ালয় আৰু ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ প্ৰতি দেশবাসী কেতিয়াও আস্থাহীনতাত ভোগা নাই। উচ্চতম ন্যায়ালয়ৰ ৭৫সংখ্যক বাৰ্ষিকী গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱ। মই নিশ্চিতভাৱে ক'ব পাৰোঁ যে উচ্চতম ন্যায়ালয়ে আস্থা আৰু বিশ্বাস অটুট ৰাখিব। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

(দহ পৃষ্ঠাত চাওক)

## ২৩, ৯৫৬গৰাকী ঠিকাভিত্তিক শিক্ষকক নিযুক্তি-পত্ৰ প্ৰদানৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰে ৰাজ্যৰ ঠিকাভিত্তিক শিক্ষকসকললৈ সুখবৰ কঢ়িয়াই আনিছে। দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্তত শিক্ষা বিভাগে ২৩, ৯৫৬গৰাকী ঠিকাভিত্তিক শিক্ষকৰ চাকৰি পদ নিয়মীয়াকৰণৰ সিদ্ধান্ত লৈছে। অহা ২ ছেপ্টেম্বৰত এই শিক্ষকসকলক প্ৰদান কৰা হ'ব নিযুক্তি-পত্ৰ। উল্লেখ্য যে সদৌ অসম ঠিকাভিত্তিক শিক্ষক সমাজে প্ৰায় ৩৫ হাজাৰ ঠিকাভিত্তিক শিক্ষকৰ পদ নিয়মীয়াকৰণৰ বাবে বিগত দীৰ্ঘসময়ৰ পৰা দাবী উত্থাপন কৰি আহিছিল।আনকি বিভিন্ন সময়ত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে ৰাজ্য চৰকাৰে শেহতীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও নিয়মীয়াকৰণৰ ক্ষেত্ৰত শিক্ষা বিভাগে জাৰি কৰা চৰ্তক কেন্দ্ৰ কৰি সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। উল্লেখ্য যে ৰাজ্য চৰকাৰে শেহতীয়াকৈ ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে প্ৰকাশ কৰা বিজ্ঞাপনত উল্লেখ কৰা হৈছিল যে যি সময়ৰ পৰা শিক্ষকসকলৰ চাকৰি নিয়মীয়া হ'ব উক্ত দিনৰ পৰাই তেওঁলোকৰ দৰমহা নিৰ্ধাৰণ কৰা হ'ব। মুখ্যতঃ ইয়াকে লৈ আপত্তি তুলিছিল টেট উত্তীৰ্ণ শিক্ষক সমাজে। বিগত ১০ বছৰৰো অধিক সময় ধৰি শিক্ষকতা কৰি থকাৰ পাছত দৰমহা বৃদ্ধি হোৱাৰ পিছত এতিয়া আকৌ নতুনকৈ নিযুক্তি লাভ কৰিলে পূৰ্বৰ বেতন সুৰক্ষিত নাথাকিব বুলি আপত্তি তোলা শিক্ষকসকলে শিক্ষা বিভাগৰ বিজ্ঞাপনৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। আৰু ন্যায়ালয়ে আবেদনখনৰ শুনানি গ্ৰহণ কৰি শিক্ষা বিভাগৰ বিজ্ঞাপনৰ ওপৰত পূৰ্বে কৰা স্থগিতাদেশ আঁতৰ কৰাৰ লগতে গুৱাহাটী উচ্চন্যায়ালয়ে যিসকলে বিজ্ঞাপনৰ বিপৰীতে নিয়মীয়াকৰণৰ আবেদন কৰিছিল তেওঁলোকৰ প্ৰক্ৰিয়া আগুৱাই নিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ৩৫ হাজাৰ ঠিকাভিত্তিক শিক্ষকৰ মুঠ ২৩,৯৫৬গৰাকী শিক্ষকে এই

(দহ পৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা যোগীৰ-চীনা সংস্কৰণঃ তেজস্বী যাদৱ



ৰঙিলী বাৰ্তাসেৱা- অসম বিধানসভাৰ অধিৱেশনৰ সময়ত নামাজ বিৰতি কৰ্তন কৰাৰ পিছতে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দেশৰ ভিন্ন মহলে, বিশেষকৈ ৰাজনৈতিক নেতাৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা । বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা আৰজেডি নেতা তেজস্বী যাদবেও অসম বিধানসভাত নামাজ বিৰতি প্ৰত্যাহাৰ কৰাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কঠোৰ ভাষাৰে সমালোচনা কৰিছে।অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক 'যোগীৰ চীনা সংস্কৰণ' আখ্যা দিয়াৰ লগতে সস্তীয়া জনপ্ৰিয়তা ড°হিমন্ত বিশ্ব শৰ্মাই বিচাৰে বুলিও সমালোচনা কৰে আৰজেডি নেতা তেজস্বী যাদবে। ড° হিমন্ত বিশ্ব শৰ্মাই সস্তীয়া জনপ্ৰিয়তা বিচৰাৰ লগতে বিজেপিয়ে বিভিন্ন পন্থাৰে মুছলিম সম্প্ৰদায়ক হাৰাশাস্তি কৰা বুলি অভিযোগ কৰে আৰজেডি নেতাগৰাকীয়ে। সামাজিক মাধ্যমত তেজস্বী যাদৱে কয়- সস্তীয়া জনপ্ৰিয়তা

(দহ পৃষ্ঠাত চাওক)

# ইতিহাস ৰচি ডুৰাণ্ড কাপৰ খিতাপ দখল নৰ্থ-ইষ্ট ইউনাইটেডৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰথমবাৰৰ বাবে ডুৰাণ্ড কাপৰ খিতাপ দখল কৰি ইতিহাস ৰচনা কৰিলে নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে । কলকাতাৰ বিবেকানন্দ যুৱভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ ১৩৩সংখ্যক সংস্কৰণৰ তীব্ৰ উত্তেজনাপূৰ্ণ ফাইনেল মেচখনত নৰ্থ-ইষ্ট ইউনাইটেড এফচিয়ে টাইব্ৰেকাৰত ৪-৩ গলৰ ব্যৱধানত পৰাস্ত কৰে বিগত বৰ্ষৰ চেম্পিয়ন তথা আই এছ এলৰ লীগৰ খিতাপ দখল কৰা শক্তিশালী মোহন বাগান ছুপাৰ জায়েন্টক। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গলত অমীমাংসিত হয়। আক্ৰমণ-প্ৰত্যাক্ৰমণেৰে ভৰা খেলৰ প্ৰথমাৰ্ধত মোহন বাগান ২-০ৰ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু ইতিহাস গঢ়ি উত্তৰ-পূবৰ প্ৰথম দলৰূপে ঐতিহাসিক ডুৰাণ্ড কাপৰ ফাইনেল খেলা নৰ্থ-ইষ্ট ইউনাইটেডে দৃঢ়তা অক্ষুণ্ণ ৰাখি চমকপ্ৰদ খেলেৰে প্ৰত্যাৱৰ্তন কৰে আৰু মোহন বাগানক নিজৰ ঘৰতে অনুৰাগীৰ সন্মুখত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে ডুৰাণ্ড কাপ জয়ৰ অনন্য গৌৰৱ অৰ্জন কৰে। ২-২ গ'লত নিৰ্ধাৰিত সময়ৰ খেল সমাপ্ত হোৱাৰ পিছত টাইব্ৰেকাৰ আৰম্ভ হয়।প্ৰথম দুটা পেনাল্টীত ব্যৱধান হয় ২-২। কিন্তু মোহন বাগানৰ তৃতীয়টো শ্বট প্ৰতিৰোধ কৰে নৰ্থ-ইষ্ট গ'লৰক্ষক গুৰমিত সিঙে। আনহাতে, অসমৰ পাৰ্থিৱ গগৈয়ে দলৰ হৈ তৃতীয়টো শ্বট গ'ল কৰি নৰ্থ- ইষ্টক ৩-২ৰ অগ্ৰগতি দিয়ে। ইয়াৰ পৰাই আৰম্ভ হয় নৰ্থ-ইষ্ট ইউনাইটেডৰ অগ্ৰগতি, জয়ৰ পথ আৰু খিতাপৰ গৌৰৱ। চতুৰ্থ শ্বট উভয় দলে গ'লৰ ৰূপ দিয়াত ব্যৱধান হয় ৪-৩। কিন্তু মোহন বাগানৰ পঞ্চম শ্বট পুনৰ ৰক্ষা কৰে গুৰমিতে। আৰু ইয়াৰ লগে লগে ইতিহাস গঢ়ে ছল্টলেক ষ্টেডিয়ামত। ১৭ বাৰ ডুৰাণ্ড কাপ জয়ৰে অভিলেখ গঢ়া মোহন বাগানক পৰাস্ত কৰি খিতাপ জয় কৰে নৰ্থ-ইষ্ট

(দহ পৃষ্ঠাত চাওক)

# ছিপাঝাৰত বিনামূলীয়া গাহৰি -ছাগলী পালন প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত আছু নেতা খনীন্দ্ৰ ৰাজবংশী



ৰঙিলী বাৰ্ত্তাসেৱা- “জাতীয়তাবাদ কোনো শ্ল'গানত প্ৰতিষ্ঠা নহয়, সেই কথা আমি আছুই দৃঢ়তাৰে বিশ্বাস কৰো, অসমৰ ৰাইজক যাতে স্বাৱলম্বীতাৰ ক্ষেত্ৰত এক অৰ্থনৈতিক বিপ্লৱত অন্তৰ্ভুক্ত কৰাব পাৰো তাৰ বাবে অসম উন্নতি সভা গঠন হৈছে। অসম উন্নতি সভাৰ দ্বাৰা আমাৰ গাৰে-ভূঞে খিলঞ্জীয়া লোকসকলৰ পৰম্পৰাগত যি অৰ্থনৈতিক বুনিয়াদ আছিল সেই অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিব লাগিব। খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ অৰ্থনৈতিক বুনিয়াদৰ ভেটি শক্তিশালী হলেহে প্ৰতিষ্ঠা হব আমাৰ জাতীয়তাবাদ।” আছু আৰু অসম উন্নতি সভাৰ দৰং জিলা সমিতিৰ উদ্যোগত, গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং (আৰছেটি দৰং) আৰু জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত ছিপাঝাৰ ছহিদ ভৱনত দহ দিনীয়াকৈ অনুষ্ঠিত গাহৰি আৰু ছাগলী পালনৰ বিনামূলীয়া প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি আছুৰ কেন্দ্ৰীয় উপ সভাপতি খনীন্দ্ৰ ৰাজবংশীয়ে বক্তব্যত এনেদৰে কয়। জিলা ছাত্ৰ সন্থাৰ সম্পাদক হৃদয় বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত আছু নেতা ৰাজবংশীয়ে বক্তব্যত লগতে কয়-“অৰ্থনৈতিক বিপ্লৱ হবলৈ আমাৰ চাহিদা অনুপাতে বজাৰ দখল কৰিব পাৰিব লাগিব। ৰাজ্যখন অৰ্থনৈতিক ক্ষেত্ৰত স্বাৱলম্বী হবলৈ অসম উন্নতি সভাই প্ৰচেষ্টা অব্যাহত ৰাখিছে।” অনুষ্ঠানত দৰং জিলাৰ অতিৰিক্ত উপায়ুক্ত মানস কুমাৰ শইকীয়াই বক্তব্য আগবঢ়াই ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাই গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতী, মহিলাসকলক স্বাৱলম্বী কৰি তুলিবলৈ গ্ৰহণ কৰা এনে পদক্ষেপৰ শলাগ লয়।দৰঙৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ জিতেন্দ্ৰ কুমাৰ নাথে অনুষ্ঠানত বক্তব্য ৰাখি পশুপালন কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হব বিচৰা যুৱক -যুৱতী,

(দহ পৃষ্ঠাত চাওক)

# আগন্তুক মহিলা টি-২০ বিশ্বকাপ ২০২৪ ৰ বাবে ১৫ জনীয়া ভাৰতীয় দল ঘোষণা




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আগন্তুক মহিলা টি-২০বিশ্বকাপ ২০২৪ ৰ বাবে১৫ জনীয়া দলটো ঘোষণা কৰে। হৰমনপ্ৰীত কৌৰক দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ প্ৰদান কৰা হৈছে। আনহাতে, অপেনাৰ স্মৃতি মন্ধানাক দিয়া হৈছে সহ-অধিনায়কৰ দায়িত্ব । ভাৰতীয় দলটোৱে প্ৰথমবাৰৰ বাবে খিতাপ দখল কৰাৰ আশাৰে খেলিব টি-২০ বিশ্বকাপত অংশ ল'ব। ৩ অক্টোবৰৰ পৰা ২০অক্টোবৰলৈ সংযুক্ত আৰব আমিৰশ্বাহীত অনুষ্ঠিত হ'ব এইবাৰৰ মহিলা টি-২০ বিশ্বকাপ। মহিলা টি-২০ বিশ্বকাপৰ বাবে ভাৰতীয় মহিলা দলটোত আছে হৰমণপ্ৰীত কৌৰ (অধিনায়ক), স্মৃতি মান্ধনা (সহ-অধিনায়ক), শ্বেফালী ভাৰ্মা, দীপ্তি শৰ্মা, জেমিমা ৰড্ৰিগেজ, ৰিচা ঘোষ (উইকেটকীপাৰ), য়াস্তিকা ভাটিয়া (উইকেটকীপাৰ), পূজা ভস্ত্ৰাকাৰ, অৰুন্ধতী ৰেড্ডী, ৰেণুকা সিং ঠাকুৰ, দয়ালন হেমালতা, আশা শোভানা, ৰাধা যাদৱ, শ্ৰেয়ংকা পাটিল, সজনা সাজীৱন। হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত গঠিত এই দলটোত অসম সন্তান উমা ছেত্ৰী (উইকেটকীপাৰ), তনুজা কানৱৰ, ছাইমা ঠাকুৰক ৰিজাৰ্ভ খেলুৱৈ হিচাপে বাছনি কৰিছে। মূল দলত স্থান লাভ কৰিলবলৈ সক্ষম নহ'ল যদিও ৰিজাৰ্ভ খেলুৱৈ স্থান লাভ কৰে উমাই। কিন্তু আঘাতৰ মাজতো ভাৰতীয় দলত স্থান লাভ কৰিবলৈ সক্ষম হৈছে উইকেটকীপাৰ য়াস্তিকা ভাটিয়া আৰু শ্ৰেয়ংকা পাটিলে। যদিহে য়াস্তিকা ভাটিয়া সুস্থ হৈ নুঠে তেতিয়া মূল দলত অন্তৰ্ভুক্ত হ'ব পাৰে অসম সন্তান উমা ছেত্ৰী।

# সমবায় সমিতিৰ জ্যেষ্ঠ্য পৰিদৰ্শক বিষয়া গোলাঘাটৰ মুখটাৰ হুছেইনৰ পৰলোক



ৰঙিলী বাৰ্ত্তাসেৱা- গোলাঘাট নগৰৰ কুমাৰপট্টি নিবাসী মুখটাৰ হুছেইনৰ যোৱা ২৯ আগষ্টত গুৱাহাটীৰ এখন চিকিৎসালয়ত হৃদৰোগত আক্ৰান্ত হৈ প্ৰায় ষাঠি বছৰ বয়সত মৃত্যুমুখত পৰে। ১৯৬৫ চনত গোলাঘাট চহৰৰ কুমাৰপট্টিত জন্ম গ্ৰহণ কৰা মুখটাৰ হুছেইনে গোলাঘাটতে পঢ়াশুনা কৰি বি কম ডিগ্ৰী লয়। ইয়াৰ পাছত গোলাঘাটতে সমবায় বিভাগৰ পৰিদৰ্শক হিচাপে চাকৰিত যোগদান কৰি অৱশেষত বঙাইগাঁও জিলাৰ অভয়াপুৰীত সমবায় বিভাগৰ জ্যেষ্ঠ্য পৰিদৰ্শক হিচাপে যোগদান কৰে আৰু চাকৰিকাল মাত্ৰ পাঁচ মাহ বাকী থকা অৱস্থাতে অৰ্থাৎ অহা ২০২৫ চনৰ জানুৱাৰীত অৱসৰ লোৱাৰ পূৰ্বে মৃত্যুমুখত পৰে। সকলোৰে মাজত “মফেল” হিচাপে পৰিচিতি লাভ কৰা এগৰাকী অতি সহজ সৰল আৰু অতি অমায়িক ধৰ্মপ্ৰাণ ব্যক্তি আছিল। কেইবছৰ মান পূৰ্বে পিতৃ ফাইজুল হুছেইনৰ মৃত্যু হয়। বৰ্তমানে মাতৃ কেচিদা বেগমৰ্চমতিগ্ৰৰ উপৰিও পত্নী আৰছিনা বেগম, এটি কণ্যা সন্তান, ককায়েক ৰাফেল আখটাৰ আৰু পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। হুছেইনৰ জানাজা অনেক গুণমুগ্ধৰ উপস্থিতিত গোলাঘাটৰ কুমাৰপট্টি কবৰস্থানত জানাজা সম্পন্ন কৰা হয়।

# হিমন্ত বিশ্বক অপসাৰণৰ দাবী জনাই ৰাজ্যপালৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ বিৰোধী ঐক্য মঞ্চৰ

ৰঙিলী বাৰ্তাসেৱা- সাংবিধানিক পদমৰ্যাদাক অৱমাননা কৰাৰ অভিযোগত ড° হিমন্ত বিশ্ব শৰ্মাক শীঘ্ৰে মুখ্যমন্ত্ৰী পদৰ পৰা বৰ্খাস্ত কৰিব লাগে। এই দাবীৰে আজি দেশৰ ৰাষ্ট্ৰপতিলৈ ৰাজ্যপালৰ জৰিয়তে এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে বিৰোধী ঐক্য মঞ্চ, অসমে। বিৰোধী ঐক্য মঞ্চৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈৰ নেতৃত্বত এটি প্ৰতিনিধি দলে ৰাজভৱনলৈ যায়। ৰাজভৱনত ৰাজ্যপালৰ হৈ উক্ত স্মাৰকপত্ৰ গ্ৰহণ কৰে তেওঁৰ কাৰ্যালয় সচিব মীনাক্ষী সুন্দৰমে। এই প্ৰতিনিধি



দলটোত আছিল সাংসদ ৰকিবুল হুছেইন, পিএলপিৰ দলৰ চৰণ ডেকা, চিপিএমৰ ইছফাকুৰ ৰহমান, ৰাইজৰ দলৰ ৰাছেল হুছেইন, তৃণমূল কংগ্ৰেছৰ অৰূপ ভূঞা, কামৰূপ মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাকে ধৰি কেবাগৰাকী জ্যেষ্ঠ নেতা। প্ৰতিনিধি দলটোৰ সৈতে যোৱা সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে ৰাজপত্ৰিত বিষয়াগৰাকীক অৱগত কৰে যে মুখ্যমন্ত্ৰী হিচাপে সাংবিধানিক পদ মৰ্যাদাত থকা বিশ্বাসযোগ্যতা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হেৰুৱাই পেলাইছে আৰু সেয়ে এই বিষয়টো ৰাজ্যপালৰ জৰিয়তে দেশৰ ৰাষ্ট্ৰপতিক অৱগত কৰিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে। অসমত যাতে কোনো কাৰণতে সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত নঘটে আৰু মণিপুৰৰ দৰে পৰিস্থিতি হ'বলৈ নাপায় তাৰবাবে সময় থাকোঁতেই হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিবলৈকো স্মাৰক পত্ৰৰ যোগেদি দাবী জনাইছে বিৰোধী ঐক্য মঞ্চই। স্মাৰক পত্ৰত বিৰোধী ঐক্য মঞ্চই দিনদিয়েক পূৰ্বে গুৱাহাটীত অনুষ্ঠিত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজকে পগলা কুকুৰ বুলি কৰা মন্তব্যৰ কথাও উল্লেখ কৰে। সাংবিধানিক পদত

*(দহ পৃষ্ঠাত চাওক)*

# এবিভিপিৰ সদস্যতা অভিযানৰ ব্যাপক সদস্যতা দিৱস




ৰঙিলী বাৰ্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্যতা অভিযান সমগ্ৰ অসমত যোৱা ৫ আগষ্টৰ পৰা অহা ৩০ আগষ্টলৈ অনুষ্ঠিত হৈ আছে। ইতিমধ্যে সমগ্ৰ অসমৰ প্ৰায় সকলো মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষা প্ৰতিষ্ঠান সমূহত পূৰ্ণ উদ্যমেৰে এই সদস্যতা অভিযান চলি আছে। উল্লেখযোগ্য যে এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ যোগেদি প্ৰতি বছৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে সমগ্ৰ ভাৰতবৰ্ষত সদস্যতা অভিযান অনুষ্ঠিত কৰি আহিছে। ছাত্ৰ শক্তিক ৰাষ্ট্ৰ শক্তি হিচাপে নিৰ্মাণ কৰি ভাৰত মাতৃক বিশ্বৰ ভিতৰতে এখন বিকশিত ৰাষ্ট্ৰ হিচাপে নিৰ্মাণ কৰিবলৈ অহৰণ কাম কৰা ছাত্ৰ সংগঠনটোৱেই হৈছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ। সদস্যতা অভিযানৰ এই অংশ হিচাপে অসমৰ প্ৰতিখন জিলাৰ প্ৰায় প্ৰতিখন শিক্ষানুষ্ঠানতেই এই সদস্যতা অভিযান অনুষ্ঠিত হৈ আছে। য'ত ছাত্ৰ সমাজে স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহি বিশ্বৰ এই সৰ্ব বৃহৎ ছাত্ৰ সংগঠনটিৰ সদস্যতা গ্ৰহণ কৰিছে। বিশেষকৈ অসম বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়, দৰং কলেজ, তেজপুৰ কলেজ, ছিপাঝাৰ কলেজ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, ডি.আৰ. কলেজ, মৰিয়নি মহাবিদ্যালয়, আৰ্য বিদ্যাপীঠ কলেজ, লামডিং কলেজ আদিকে ধৰি প্ৰায় বোৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানটেই সদস্যতা অভিযান অনুষ্ঠিত হয়।

# আইচিচিৰ নতুন অধ্যক্ষ হিচাপে নিৰ্বাচিত জয় শ্বাহ



ৰঙিলী বাৰ্তাসেৱা- বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আইচিচিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হ'ল ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহ। বিনাপ্ৰতিদ্বন্দ্বিতাৰে আইচিচিৰ নতুন অধ্যক্ষ হিচাপে নিৰ্বাচিত হয় জয় শ্বাহ। আইচিচিৰ অধ্যক্ষ পদৰ বাবে যোৱাকালি মনোনয়ন দাখিলৰ অন্তিম দিন আছিল। জয় শ্বাহৰ বাহিৰে আন কোনোৰে উক্ত পদৰ বাবে মনোনয়ন দাখিল কৰা নাছিল। ফলত বিচিচিআইৰ সম্পাদকগৰাকীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। বিশ্ব ক্ৰিকেটৰ ইতিহাসত আটাইতকৈ কম বয়সীয়া হিচাপে আইচিচিৰ অধ্যক্ষ হিচাপে জয় শ্বাহ নিৰ্বাচিত হয়। মাত্ৰ ৩৫ বছৰ বয়সতে জয় শ্বাহে এই দায়িত্ব লাভ কৰে। উল্লেখ্য যে জয় শ্বাহ পঞ্চমগৰাকী ভাৰতীয় হিচাপে আইচিচিৰ অধ্যক্ষ পদত নিযুক্ত হয়। জয় শ্বাহৰ পূৰ্বে জগমোহন ডালমিয়া, শাৰদ পাৱাৰ, এন শ্ৰীনিৱাসন আৰু শশাংক মনোহৰ আইচিচিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছিল। জয় শ্বাহে চলিত বৰ্ষৰ ১ ডিচেম্বৰৰ পৰা নতুন দায়িত্ব গ্ৰহণ কৰিব। নতুন দায়িত্ব লাভ কৰি জয় শ্বাহে কয় যে আইচিচিৰ অধ্যক্ষ হৈ মই অতি সুখী। মোৰ দল আৰু মই সমগ্ৰ বিশ্বতে ক্ৰিকেটৰ উন্নতিৰ বাবে কাম কৰিম। আমি এনে এটা সময়ত থিয় দিছোঁ, য'ত ক্ৰিকেটৰ বিভিন্ন ফৰমেটৰ মাজত ভাৰসাম্য ৰক্ষাৰ প্ৰয়োজন আছে। সেই সমান্তৰালকৈ ক্ৰিকেটতো আহি আছে নতুন প্ৰযুক্তি। ক্ৰিকেটৰ পৰিসৰ বাঢ়িছে। এই পৰিস্থিতিত আমি ক্ৰিকেটক আৰু অধিক জনপ্ৰিয় কৰি তোলাৰ কাম আৰম্ভ কৰিম। উল্লেখ্য যে আইচিচিৰ বৰ্তমানৰ অধ্যক্ষ গ্ৰেগ বাৰ্কলেই তৃতীয়বাৰৰ বাবে আইচিচিৰ অধ্যক্ষ হ'বলৈ বিচৰা নাছিল। অহা নৱেম্বৰ মাহত তেওঁৰ কাৰ্যকাল অন্ত পৰিব। পৰৱৰ্তী অধ্যক্ষ কোন হ'ব সেই সন্দৰ্ভত দীৰ্ঘদিন ধৰি চলি আছিল জল্পনা-কল্পনা। এই দৌৰত আগবাঢ়ি আছিল বিচিচিআইৰ সম্পাদক আৰু এছিয়ান ক্ৰিকেট সস্থাৰ সভাপতি জয় শ্বাহ। অৱশেষত ভৱামতেই জয় শ্বাহ আইচিচিৰ নতুন অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়।

# কামৰূপ জিলা সাংবাদিক সন্থাৰ 'আৰিমত্ত গড়'টো সুৰক্ষা বিচাৰি স্মাৰকপত্ৰ প্ৰদান



ৰঙিলী বাৰ্তাসেৱা- কামৰূপ জিলা সাংবাদিক সন্থাৰ নেতৃত্বত বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজি ৰঙিয়াৰ মহকুমাধিপতিক ৰাজ্যৰ আবেগ জড়িত ঐতিহাসিক সম্পদ "আৰিমত্ত গড়" টো সুৰক্ষা, সংবৰ্ধন আৰু পৰ্যটন স্থলী কৰাৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰে। লগতে ৰঙিয়া ৰাইজমেল ভৱন সমিতি, ৰঙিয়া মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া লেখিকা সমাৰোহ সমিতি, দক্ষিণ ৰঙিয়া মিলন সাহিত্য সভা আৰু ৰঙিয়াৰ অগ্ৰণী স্বেচ্ছাসেৱী সামাজিক সংগঠন উত্তৰণৰ ফালৰ পৰাও পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰে।

# অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ নতুন সমিতি গঠন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ বছৰেকীয়া সভাত আগন্তুক দুবছৰৰ বাবে পূৰ্বৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে ড° ভাৰতী দত্ত আৰু নাছিৰ চুলতানক সভাপতি আৰু সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ লগতে আন ছগৰাকী সদস্যক অন্তৰ্ভুক্ত কৰি নতুন কাৰ্যনিৰ্বাহক সমিতিখনি গঠন কৰা হয়। সুদক্ষিনা দাসক কাৰ্যকৰী সভাপতি, ড° ৰণজিৎ সিঙক উপ সভাপতি, অজিত শৰ্মাক যুটীয়া সম্পাদক তথা ড° যশোৱন্ত সিঙক কোষাধ্যক্ষ ৰূপে নিৰ্বাচিত কৰা হয়। বিগত কেবাবছৰো ধৰি বিভিন্ন কাৰণত সমিতিখন কিছু নিষ্ক্ৰিয় হৈ থকাৰ পিছত সমিতিখনিয়ে পুনৰ উজ্জীৱিত হৈ উঠাৰ লগতে গতিশীল কৰাত পূৰ্বৰ সমিতিৰ পদক্ষেপৰ উপস্থিত সকলোৱে শলাগ লয়। বিশিষ্ট পদাৰ্থ বিজ্ঞানী তথা বিজ্ঞান সমিতিৰ সৈতে সুদীৰ্ঘকাল ওতপ্ৰোত:ভাৱে জড়িত থকা ডিব্ৰুগড় সমিতিৰ উপদেষ্টা ড° পৰমানন্দ মহন্তও সভাত উপস্থিত আছিল। ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত বছৰেকীয়া আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰে ড° যশোৱন্ত সিঙে। এই সভাতে বছৰেকীয়া প্ৰতিবেদন পাঠ কৰাৰ লগতে সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় সম্পাদক নাছিৰ চুলতানে।

# আপত যোগদান কাৰ্বি আংলং জিলাৰ এখন গাঁৱৰ সম্পূৰ্ণ গঞাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কাৰ্বি আংলং জিলাৰ হাওৰাঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত পশ্চিম হাতীপূৰা কুৰ্মী গাঁৱত অনুষ্ঠিত হয় আম আদমী পাৰ্টিৰ দলীয় সভা। লক্ষণীয় বিষয় যে আপৰ সভাত গাওঁখনৰ প্ৰতিঘৰ মানুহেই যোগদান কৰাৰ লগতে অনাগত দিনত আম আদমী পাৰ্টিৰ হকে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কাৰ্বি আংলং জিলা আপৰ ৱৰ্কিং কমিটীৰ আহ্বায়ক জিতেন ৰংপি, ডিমা হাছাও জিলা আৰু কাৰ্বি আংলং জিলাৰ তত্ত্বাৱধায়ক ফুডিং তেৰাং, বোকাজান সমষ্টিৰ আপৰ নেতা কাৰ্তিক বে' আৰু হাওৰাঘাট বিধান সমষ্টিৰ আপৰ নেতা বাপুৰাম ৰংহাং উপস্থিত থাকে। দলত নতুনকৈ যোগদান কৰা গাওঁবাসীক তেওঁলোকে আদৰণি জনায়। অনাগত দিনত পাহাৰীয়া জিলাখনত দলৰ সদস্য ভৰ্তি অভিযান তৰান্বিত কৰাৰ বাবে দলৰ নেতা সকলে গুৰুত্ব আৰোপ কৰে।

# ডিব্ৰুগড়ত স্মাৰ্ট মিটাৰ-বিদ্যুৎ মাচুল বৃদ্ধিৰ প্ৰতিবাদত শৱযাত্ৰালৈ আছুৰ বিক্ষোভ

ৰঙিলী বাৰ্ত্তাসেৱা- স্মাৰ্টমিটাৰক ডকাইত মিটাৰ আখ্যা ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ। ২৭ আগষ্টত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত স্মাৰ্টমিটাৰৰ আতিশয্য, অভাৱনীয় বিদ্যুৎ মাচুল বৃদ্ধি আৰু অনিয়মীয়া বিদ্যুৎ যোগানৰ প্ৰতিবাদত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই 'বিদ্যুৎ বিভাগ আৰু এপিডিচিএল' ৰ শৱযাত্ৰা লৈ কাৰ্যসূচী ৰূপায়ণ কৰে। অনিয়মীয়া বিদ্যুৎ যোগান সমস্যা সমাধানত ব্যৰ্থ শক্তি বিভাগে বিদ্যুৎ মাচুল বৃদ্ধি আৰু স্মাৰ্ট মিটাৰৰ জৰিয়তে জনসাধাৰণক মাধমাৰ আৰু হাৰাশাস্তি কৰাৰ প্ৰতিবাদত ডিব্ৰুগড়ৰ চৌকিডিঙীস্থিত



ডিব্ৰুগড় ছাত্ৰ সন্থাৰ কাৰ্য্যালয়ৰ পৰা ডিব্ৰুগড় জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখলৈ "বিদ্যুৎ বিভাগ আৰু এপিডিচিএল ৰ শৱযাত্ৰা" লৈ কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ সন্থাৰ স্পষ্ট মত বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ লগতে বৰ্দ্ধিত বিদ্যুৎ মাচুল অনতিপলমে হ্ৰাস কৰাৰ উপৰি স্মাৰ্ট মিটাৰৰ জৰিয়তে শক্তি বিভাগে জনতাৰ ওপৰত চলোৱা আতিশয্যৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ বাবে এই প্ৰতিবাদ সাব্যস্ত কৰে।

# দেশ বিৰোধী শক্তিক কেতিয়াও সহ্য নকৰে এবিভিপিয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান (NIT) শিলচৰত বাংলাদেশী ছাত্ৰৰ দ্বাৰা সামাজিক মাধ্যমত ভাৰতৰ বিৰোধী পোষ্ট কৰাৰ বিৰোধিতাৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ কাছাৰ জিলা সংযোজক আদিত্য দে'য়ে NIT শিলচৰ কেম্পাচ সঞ্চালক শ্ৰী দিলীপ কুমাৰ বৈদ্যক এক স্মাৰক পত্ৰ প্ৰদান কৰে, লগতে তেওঁ জনায় যে ভাৰত বিৰোধী চিন্তাৰ এনে ছাত্ৰ শিলচৰৰ ভূমিত থকাটো বিদ্যাৰ্থী পৰিষদে কোনো কাৰণত গ্ৰহণ নকৰে। এনে ভাৰত বিৰোধী চিন্তা কৰা ব্যক্তি সকলক তাৎক্ষণিক ভাৱে দেশৰ পৰা উলিয়াই দিব লাগে। অসম বা শিলচৰৰ ভিতৰত দেশ বিৰোধী আৰু জেহাদী সকলৰ বাবে অকমানো স্থান নাই। এনেবোৰ ব্যক্তিৰ বাবে স্কুলৰ দৰে শৈক্ষিক প্ৰতিষ্ঠানৰ পৰিৱেশ বিনষ্ট হ'ব। স্মাৰক পত্ৰ প্ৰদান কৰাৰ সময়ত আদিত্য দে'ৰ লগত ৰাজ্যিক মিডিয়া সহ: সংযোজক ৰোহিত চন্দ, শিলচৰ মহানগৰ সম্পাদক দ্বীপ নাথ বিশেষ ভাৱে উপস্থিত আছিল।

# মঙলদৈত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে আপৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- এপিডিচিএলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে ৰাজ্যজুৰি অব্যাহত আছেপ্ৰতিবাদ। মঙলদৈত এপিডিচিএলৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে আম আদমী পাৰ্টিয়ে। হাতে হাতে বেনাৰ, পতাকা লৈ স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰক, আদানিৰ লাভৰ বাবে স্মাৰ্ট মিটাৰ নচলিব, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা হায় হায়, অসম চৰকাৰ হায় হায় আদি শ্লোগান দি প্ৰায় ডেৰ শতাধিক দলীয় কৰ্মীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ হয় আপৰ জ্যেষ্ঠ নেতা ৰমেন বৰঠাকুৰ। তেওঁ কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ ব্যৱসায়ী গৌতম আদানিৰ স্বাৰ্থত আদানি কোম্পানীৰ স্মাৰ্ট মিটাৰ লগাবলৈ ঠিকা দিছে অসম

(দহ পৃষ্ঠাত চাওক)

# পথাৰৰ কেঁচা মাটিৰ গোন্ধ



**বিশ্বজিৎ বৈশ্য ,গুৱালকুছি, বংশৰ**

আহাৰ, শাওন মানেই সৃষ্টিৰ সপোন সিঁচাৰ সময়। সেই সময়ত চৌপাশৰ কেঁচা মাটিৰ যি আমোলমোল গোন্ধ ইয়াক কোনো মহঙা কৃত্ৰিম সুবাসৰ লগত তুলনা কৰিব নোৱাৰি। এই সময়চোৱাৰ পৰাই প্ৰকৃতিত এক বৰ্ণময় পৰিবেশে বিৰাজ কৰে। খেতিয়কসকলৰ গাত তত নোহোৱা হয়। পুৱাৰ পৰা আবেলিলৈ ব্যস্ত হৈ পৰে পথাৰৰ স'তে। হাল বাই মাটি চহাই পথাৰখন খেতিৰ উপযোগী কৰি তোলে। খেতিয়কৰ লগত সমানে ৰোৱনী সকলো ব্যস্ত হৈ পৰে পথাৰত সপোন সিচাত। খেতিয়ক আৰু ৰোৱনীৰ সমন্বয়ত পথাৰে ধাৰণ কৰে সেউজীয়াৰ বীজ। এফালে হালোৱাই হাল বোৱা দৃশ্য আনফালে ৰোৱনীয়ে ভুই ৰোৱা দৃশ্যইও। ইয়ে প্ৰকৃতিক দিয়ে এক মনোমোহা ৰূপ। কৃষক আৰু ৰোৱনীৰ শৰীৰৰ ঘামে জীপাল কৰি তোলে পথাৰৰ বুকু। তেওঁলোকে পথাৰত লগে-ভাগে আহাৰ গ্ৰহণ কৰাৰ দৃশ্যইও মন ভৰাই তোলে। ৰ'দ, বৰষুণকো নেওচি পথাৰৰ স'তে গঢ়ি তোলা কৃষক আৰু ৰোৱনীৰ আত্মীয়তাই সকলোকে দি যায় এক অনন্য অনুভৱ। এই সময়চোৱাত দৈনন্দিন জীৱনৰ হাজাৰ কামৰ পিছতো পথাৰত কৰি অহা পৰিশ্ৰমে ভাগৰুৱা নকৰে কৃষক অথবা ৰোৱনীক। এই হাড় ভগা পৰিশ্ৰমৰ পিছতো তেওঁলোকৰ মন বোৰ ভৰি পৰে অনাবিল আনন্দেৰে। কৃষক ৰোৱনীৰ একত্ৰ ত্যাগৰ বাবেই আমিও লাভ কৰিব পাৰিছো আহাৰ, শাওনৰ পথাৰৰ বোকা মাটিৰ আমোলমোল গোন্ধ।

# মহৎ কাম

**ৰাজলক্ষ্মী বৰঠাকুৰ দেৰগাঁও**



বিতু জিতু আৰু মানু ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ সিহঁত তিনিওটা নলে -গলা লগা বন্ধু। সিহঁতৰ মাজত বহুতো ভাল সম্পৰ্ক আছে। সিহঁতি পঢ়া -শুণাৰ লগতে সকলো দিশতে আগৰণুৱা সেইয়ে সিহঁতক গাঁৱত সকলোৱে ভাল পাই। বাতৰি কাকত আৰু টিভি দেখি বিতুহতে বানপানীৰ ভয়াবহতাৰ কথা গভীৰ ভাবে অনুভৱ কৰিছে। এদিন সিহঁতি স্কুলৰ পৰা আহি থাকোঁতেই বিতুৱে জিতু আৰু মানুক কলে তহতে দেখিছনে আমি এনেদৰে স্কুল আহিছো আমাৰ লগৰ কিছুমান ল'ৰা- ছোৱালী বানপানীৰ কাৰণে কি গতি হৈছে স্কুল যোৱাটো দুৰৰে কথা ভালদৰে এসাঁজ খাবলৈও পোৱা নাই। বানপানীত সিহঁতৰ ঘৰ- দুৱাৰ কিতাপ -পত্ৰ সকলো উটি গৈছে। বহুতে নিজৰ পিতৃ-মাতৃক হেৰুৱাই অকলশৰীয়া হৈ পৰিছে অলপ হ'লেও তাহাতৰ কাৰণে কিবা এটা কৰিব নোৱাৰো নে। জিতুৱে কলে মনটো আছে কিবা এটা কৰা আমিনো কেনেকৈ কি কৰিম কচোন আমিটো সৰু ল'ৰা- ছোৱালী। মানুৱে সিহঁতৰ কথাবোৰ মনে মনে শুনি আছিল মোৰ ওচৰত এটা উপাই আছে আমাৰ দেউতাই এই ক্ষেত্ৰত আমাক সহায় কৰিব পাৰিব। বিতুৱে কলে বল তেনেহলে তহতৰ ঘৰলৈকে যাওঁ। সিহঁতি আহি মানুৰ দেউতাকৰ আগত সকলোখিনি কথা বুজাই কলেহি। মানুৰ দেউতাকে সিহঁতৰ কথাখিনি শুনি বৰ ভাল পালে কাৰণ সিহঁতৰ নিচিনা সৰু ল'ৰা -ছোৱালী কেতাই ইমান ডাঙৰ কথা এটা চিন্তা কৰিছে। চোৱা তোমালোক সৰু ল'ৰা-ছোৱালী অকলে এই কামত আগবাঢ়িব নোৱাৰিবা সেইয়ে তোমালোকৰ লগৰ ল'ৰা -ছোৱালী খিনিৰ লগত আলোচনা কৰি অভিভাৱক সকলৰ লগত লগ লাগি এই কামত আগবাঢ়া আৰু তোমালোকে লগ লাগি নিজৰ পুৰণি কিতাপ-পত্ৰ, কাপোৰ-কানি আৰু লগতে বৰঙনি অলপ গোটোৱা। পাঁচশ টকাৰ বৰঙনিৰে প্ৰথমে মানুৰ দেউতাকে সিহঁতক সঁহাৰি জনালে। সিহঁতি উৎসাহিত হৈ নিজৰ কামত আগবাঢ়িলে। আবেলি পৰত বিতুহতৰ ঘৰলৈ সিহঁতৰ লগৰীয়া সকলোকে মাতিলে। মাতি সিহঁতক সকলোখিনি কথা বুজাই কলে। সিহঁতি কথাবোৰ শুনি বৰ ভাল পালে আৰু সহায় আগবঢ়াম বুলি ক'লে। সকলোৱে মিলি -জুলি কাপোৰ- কানি আৰু কিতাপ - পত্ৰ গোটালে আৰু ঘৰে ঘৰে গৈ বৰঙনি তুলিলে। সকলোৱে এই ক্ষেত্ৰত যেনেকৈ পাৰে সহায় কৰিলে। সকলোখিনি গোট খোৱাৰ পিছত এটা নিদিষ্ট দিন ঠিক কৰি অভিভাৱক আৰু স্থানীয় যুৱক সকলৰ লগত লগ লাগি বানপানী পিড়িত ঠাইৰ শিবিৰ লৈ গৈ ল'ৰা - ছোৱালী সকলৰ মাজত এই সকলোবোৰ বিতৰণ কৰিলে। সিহঁতৰ এই মহৎ কাযত সকলোৱে ভুয়সী প্ৰশংসা কৰিলে। সৰু ল'ৰা ছোৱালী হ'লেও ইমান এটা ডাঙৰ চিন্তা কৰিব পাৰিলে তাৰ কাৰণে সিহঁতক সকলোৱে ধন্যবাদ জনালে। সিহঁতৰ এই মহৎ কামৰ কথা বাতৰিৰ যোগেদি সকলোৱে জানিব পাৰিলে।

**অণুগল্প**

# বৰদৈচিলা

**পৰিস্মিতা বৰা হাজৰিকা মাজুলী**



এটা বিকট শব্দৰে বৰদৈচিলা দৰে দ্ৰুত বেগে পাৰ হৈ যোৱা বাইক কেইখন দেখি ৰাস্তাৰে গৈ থকা আন পথচাৰী লগতে অবিন্দম বৰুৱাও একেবাৰেই ৰাস্তাৰ কাষ পালেগৈ। বাইককেইখনত যোৱা লৰা কেইটাৰ মাজত নিজৰ পুতেককো দেখি তেওঁৰ এটা হুমুনিয়াহ ওলাল। আনৰ লৰা ছোৱালীক সদায় ভাল শিক্ষা দি ফুৰা মানুহজনে নিজৰ একমাত্ৰ লৰাটোকে ভাল কৰিব নোৱাৰিলে। কথাবোৰ ভাবি ভাবি তেওঁ আগবাঢ়িল। এটা লৰা বুলি মৰম কৰোতে কৰোতেই আজি এই দশা হ'ল আৰু যেতিয়া ঘুৰি আহি পদুলিৰ মুখ পাইছিল তাত চুবুৰিৰ মানুহৰ ভুনভুননি আৰু মানুহজনীৰ কান্দোনৰ চিঞৰ শুনি তেওঁ বুজি পাবলৈ আৰু বাকী নাথাকিল যে অলপ আগৰ বৰদৈচিলা জনীয়ে তেওঁকো ভালকৈ জোকাৰি গ'ল ।

# নাৰী ভোগৰ সামগ্ৰী নহয়, মানুহ হিচাপে মৰ্য্যদা দিয়ক



**শৈলেন কুমাৰ , মিৰ্জা**

কলকাতা আৰ জি কৰ হাস্পাতালত মহিলা চিকিৎসাক এগৰাকীক ধৰ্ষণ কৰি হত্যা আৰু অসমৰ শেহতীয়া ধিং ধৰ্ষণ কাণ্ডই ইতিমধ্যে দেশ জোকাৰি গৈছে। ধৰ্ষণ কাণ্ডৰ পিছত তুমুল প্ৰতিবাদ হয়, কিন্তু তাৰে কিছুদিন পাছত আকৌ এক জঘণ্য ধৰ্ষণ কাণ্ড সংঘটিত হয়। কঠোৰ আইন প্ৰণয়ন কৰাৰ পাছতও যেন অপৰাধীয়ে অপৰাধ কৰিবলৈ কাকো কেৰেপ নকৰে। মূলকথা অপৰাধীৰ অপৰাধ কৰাৰ মানসিকতা ক'ত ন্যস্ত হৈ আছে? বৰ্তমানৰ ভোগবাদী সমাজ ব্যৱস্থাত প্ৰায় সকলোৱে মানসিকতা ভোগ কৰাৰ গতিকে নাৰী ও ভোগৰ সামগ্ৰী। নাৰীক আমি শৰীৰৰ দৃষ্টিভংগীৰে চিহ্নিত কৰোঁ। নাৰী কেৱল শৰীৰমাত্ৰ নহয় মানুহো সেই কথা আমি পুৰুষপ্ৰধান সমাজে সহজে মানি নলওঁ। যাৰবাবে হত্যা, ধৰ্ষণ আদিৰ দৰে বীভৎস কাণ্ড সংঘটিত হয় বাৰেবাৰে। পোনপ্ৰথমে আমি আমাৰ চিন্তাধাৰা সলনি কৰিব লাগিব । চৰকাৰৰ, প্ৰশাসনৰ এই ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। উচিত ব্যৱস্থা আৰু সমাজত সজাগতা বৃদ্ধিৰ দ্বাৰাই অপৰাধ প্ৰৱণতা হ্ৰাস কৰিব পৰা যাব। হত্যা ধৰ্ষণ আদি অপৰাধ দুৰ্বল মানসিকতাৰ অস্থিৰতাৰ পৰা উদ্ভৱ হয় আইনী ব্যৱস্থা কঠোৰ কৰিলেও এনে অপৰাধ হ্ৰাস কৰিব পৰা নেযাৰ যাৰ বাবে প্ৰয়োজন সামাজিক ভাৱে মানসিক দৃষ্টিভংগী শক্তিশালী কৰাৰ দৰকাৰ। নাৰীৰ সন্মান মৰ্যাদা ৰক্ষা কৰিব নোৱোৰা দেশ কেতিয়াও উন্নতিৰ শীৰ্ষত বগুৱাব নোৱাৰে । টকা ক্ষমতা আৰু ৰাজনীতিৰ আগত আইন মুৰ তল কৰি থাকিলে নহব, কঠোৰৰ পৰা কঠোৰতম আইন প্ৰণয়ন কৰিব লাগিব সমাজখনক মানসিক ভাৱে শক্তিশালী কৰি তুলিবলৈ।

যোৰাখণ্ডৰ পৰা....

# জীৱনৰ শান্ত- সমাহিত দৃষ্টি

জ্যোতি খাটনিয়াৰ



সৰ্বপল্লী ৰাধাকৃষ্ণণৰ আমন্ত্ৰণ ক্ৰমে তেওঁ অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগত যোগদান কৰিছিল আৰু পৰৱৰ্তী সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ তেওঁ প্ৰভাৱশীল শিক্ষক আছিল। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰাৰ পাছত অতি সন্মানীয় ভাৰতীয় অসামৰিক পৰীক্ষাত (Indian Civil Service) উত্তীৰ্ণ হোৱাটো তেওঁৰ বাবে ল'ৰা ধেমালি আছিল বুলিহে কৈ তেওঁ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। শুনা যায় যে অক্সফোৰ্ড ফেৰৎ পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে কিয় আই চি এছ পৰীক্ষাত নবহিল, তাৰ উত্তৰ ৰূপে হুমায়ুন কবিৰৰ এই মন্তব্য কোনো কোনোৱে উদ্ধৃত কৰিছিল। হুমায়ুন কবিৰ আছিল অতি ওখ খাপৰ কবি।

তেওঁৰ 'Trains' শীৰ্ষক কবিতাৰ এই শাৰীকেইটা ভাৰতীয় ইংৰাজী কাব্য সাহিত্যৰ স্থায়ী অংশৰূপে পৰিগণিত হৈছে :

"Where do all these trains go day and night? / You say they bore their way through hills, / They roar over bridges across mighty streams, / They crash through forests and vast plains, / But at the end of their restless journeyings- / Where do they go and finally rest? "(দ্ৰষ্টব্যঃ The Golden Treasury of Indo-Anglian Poetry, Edited by VK Gokak.)

কেনোপনিষদত শিষ্যই সুধিছে যে কাৰ দ্বাৰা প্ৰেৰিত হৈ মনে বিভিন্ন বিষয়ৰ সৈতে নিজকে সংলগ্ন কৰে? হুমায়ুনৰ কবিৰৰ জীৱন -দৰ্শন আৰু তেওঁৰ কৰ্ম- প্ৰচেষ্টা মনৰ এই সংযোগক অনুধাৱন কৰাৰ যেন এক বিৰাট আয়োজন। কলিকতা আৰু অক্সফোৰ্ডৰ শিক্ষাই তেওঁৰ মনক প্ৰাচীন আৰু আধুনিক দুয়োটা দিশৰ সৈতে সংলগ্ন কৰিছে । ইয়াৰ ফলত তেওঁ এফালে ভাৰতীয় চিন্তাৰ ধাৰাবাহিকতাক লক্ষ্য কৰিছে ; আৰু আনহাতে ইমানুয়েল কাণ্টৰ চিন্তাৰ যোগেদি তেওঁ আবেগ ৰোহিত আৰু স্থিৰ বুদ্ধিৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰি লৈছে। স্বাধীনতাৰ পৰৱৰ্তী সময়ত সমগ্ৰ দেশৰ বাবে তেওঁ যি শিক্ষাৰ মহাযজ্ঞ আৰম্ভ কৰিছিল, তাত তেওঁ সহিষ্ণুতা, ন্যায় পৰায়ণতা আৰু আবেগ ৰোহিত স্থিৰ দৃষ্টিক উচ্চ স্থান দি গৈছে। হয়তো এনেবোৰ কাৰণতেই আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশত গণতান্ত্ৰিক শিক্ষাৰ যি পৰম্পৰা আজিও গঢ়ি নুঠিল, ভাৰতত সেই পৰম্পৰা সজীৱ, শক্তিশালী আৰু প্ৰাণৱন্ত। ভাৰতীয় ঐক্যত বিভিন্ন আঞ্চলিকতাৰ স্থান সুনিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰফেছাৰ হুমায়ুন কবিৰৰ আগ্ৰহ আৰু সক্ৰিয়তা স্মৰণযোগ্য। তেওঁ নিজেই বাংলা ভাষাত ওখ খাপৰ কিতাপ লিখিছিল ; অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়ন কৰিবলৈ তিনি কোটি টকা তাহানিয়েই দিছিল - এই দুয়োটা কথাই প্ৰফেছাৰ কবিৰৰ মনটোৰ বিশালতাক আৰু ভাষা - সংস্কৃতিৰ প্ৰতি তেওঁৰ অপৰিসীম শ্ৰদ্ধাক প্ৰতিফলিত কৰে। তেওঁ স্পষ্টকৈ কৈছিল যে দেশৰ প্ৰতিঘৰ মানুহৰ কোঠালী শিক্ষা আৰু জ্ঞানৰ পোহৰেৰে উজলি থাকিব লাগিব। এনেবোৰ দুৰদৃষ্টি সম্পন্ন, শিক্ষা ব্ৰতী মানুহৰ বাবেই আমাৰ দেশ পাকিস্তান, আফগানিস্তান, বাংলাদেশ, ম্যানমাৰতকৈ বেলেগ আৰু স্বকীয় পৰিচয়েৰে সমৃদ্ধ।

# শ্ৰীমন্ত শংকৰদেৱ আৰু নামঘৰ



অনামিকা(সংগীতা)কলিতা, শুৱালকুছি

"শ্ৰী মন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাহি নাহি
আমাৰ পৰম গুৰু ।"

মহাপুৰুষ মন্ত শঙ্কৰদেৱৰ ১৪৪৯খৃষ্টাব্দত আহিন মাহৰ শুক্ল পক্ষৰ দশমী তিথিত বৰদোৱা আলিপুখুৰি নামৰ ঠাইত জন্ম হৈছিল । শঙ্কৰদেৱ সৰু থাকোতেই মাক দেউতাকে ইহলীলা সম্বৰণ কৰিছিল। বুঢ়ীমাক/আইতাক খেৰসূতীয়ে শঙ্কৰদেৱক লালন-পালন কৰি ডাঙৰ দীঘল কৰিছিল।

তেওঁৰ গুণ অসাধাৰণ সৰু কালত এবাৰ ভাদ মাহৰ ব্ৰহ্মপুত্ৰৰ ভৰা নদী সমনীয়াৰ লগত বাজি মাৰি ইপাৰ সিপাৰ হৈছিল। তেওঁ অ আ স্বৰ বৰ্ণ শিকিয়েই আকাৰ ইকাৰ নোহোৱা কবিতা "কৰতল কমল" ৰচনা কৰিছিল ।

সেই সময়ত সমাজৰ কু-সংস্কাৰবোৰ নাশ কৰিবলৈ গুৰুজনাৰ চেষ্টা কৰিছিল। যাৰ কাৰণে সমাজ সংস্কাৰক গুৰুজনাই সত্ৰ/নামঘৰ আৰু বৰগীত ইত্যাদি অনেক অৱদান আগবঢ়াই থৈ গৈছে।

সত্ৰ/নামঘৰ- মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ।

এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ - কথা চৰ্চাৰ প্ৰসংগ। য'ত গুৰু,দেৱ, নাম, ভকত এই চাৰি বস্তু। শঙ্কৰদেৱৰ আশীৰ্বাদ লৈ ১৫৮৩ খ্ৰীষ্টাব্দত তেওঁৰ পৰম শিষ্য মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰে।

বৰপেটা, বৰদোৱা, কমলাবাৰী, শুৱালকুছি হাটী সত্ৰ ইত্যাদি তেওঁৰ শিষ্য সকলে স্থাপন কৰি, খোল -বাদ্য, তাল বাজনা পৰম্পৰাগত ভাৱে পৰিৱেশিত হৈ আহিছে।

বৰগীত-১৫/১৬ শতাব্দীত মহাপুৰুষ শঙ্কৰ দেৱে তেওৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱ দেৱৰ সৈতে লগ-লাগি বজ্ৰাৱলী ভাষাত বৰগীত ৰচনা কৰে ।

২৪০টা বৰগীত শঙ্কৰ দেৱে ৰচনা কৰিছিল। মানৱ আক্ৰমণ, ইংৰাজৰ শাসন ইত্যাদি নানা সমস্যা আদিৰ ফলত বাকী খিনি নষ্ট হৈ গল ।বৰ্তমান ৩০টা সংৰক্ষিত।"কীৰ্ত্তন" ঘোষা বেদৰ স্থান পাইছে।

১৫৭টা মহাপুৰুষ মাধৱ দেৱৰ বৰগীত ৰচনা কৰিছিল। নামঘোষা মহাপুৰুষ মাধৱদেৱৰ ৰচিত গ্ৰন্থ সমূহৰ ভিতৰত কীৰ্তিস্তম্ভ, এই নামঘোষা খনত এহেজাৰ ঘোষা থকা কাৰণে হেজাৰী ঘোষা নামে পৰিচিত।

অসমৰ সমাজ জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শঙ্কৰ দেৱে সত্ৰ/ নামঘৰ প্ৰতিষ্ঠা কৰি আৰু বৰগীত সমূহ ৰচনা কৰি, যি কলা -সংস্কৃতি চৰ্চা কৰি আমাক পথ দেখুৱাই থৈ গৈছিল, সমাজ খনৰ বিকাশৰ কাৰণে। সেইবোৰ বৰ্তমান বিভিন্ন পৰিস্থিতি চিন্তা চেতনা বোৰ পৰিবৰ্তন হৈছে। যদি সোঁতত উটি যোৱা বিধৰ হয়, তেন্তে সেয়া হ'ব জাতিটোৰ বাবে চৰম দুৰ্ভাগ্যৰ বিষয়। গতিকে জাতি এটাৰ বৌদ্ধিক জীৱনৰ ওপৰত ভাষা কলা সংস্কৃতি নিৰ্ভৰ কৰিব ।নতুন প্ৰজন্মই সত্ৰ/নামঘৰ/বৰগীত এই কলা সংস্কৃতিক ৰক্ষণা-বেক্ষণ দিব লাগিব, আৰু শেহতীয়াকৈ অসমৰ নতুন এচামে ভাষা, কলা - সংস্কৃতিৰ ৰক্ষাৰ কাৰণে উঠি -পৰি লাগিছে, এয়া এক শুভ লক্ষণ।

# মৰীচিকা

মণিতা গোস্বামী



মৰিচীকা খেদি ফুৰা
দিনবোৰলৈ মনত পৰে।
মাৰ দুহাতত ধৰি দেখিছিলোঁ
বহু সপোন।
সপোনবোৰ নানা ৰঙীন!
সপোনৰ মাজত এখোজ,
দুখোজ কৈ আগবাঢ়িছিলোঁ
সপোনৰ মনোমোহা বাটলৈ।
নোৱাৰিলোঁ!! ৰৈ গলোঁ
উজুটি খাই।
ভৱাই নাছিলোঁ সপোনক যে
বাস্তৱ ৰূপ দিবলৈ।
বহু কঠিন।

স্নেহস্পৰ্শ

বৰ্তমানলৈ উপকৃত শিশু প্ৰায় ১০০গৰাকী

অসম চৰকাৰ
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

জনতাৰ চৰকাৰ myGOV

# সোণালী ভৱিষ্যতৰ নিশ্চিতিৰে শিশুৰ জটিল ৰোগৰ নিদান

প্ৰয়োজন অনুসৰি নিৰ্দিষ্ট চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা

১০০% অনুদানমূলক স্বাস্থ্য সেৱা প্ৰদান

লিউকেমিয়া, থেলাচেমিয়াকে আদি কৰি জটিল ৰক্তজনিত ৰোগত আক্ৰান্ত হৈ অস্থি মজ্জা সংৰোপণৰ প্ৰয়োজন হোৱা ০-১৪ বছৰীয়া শিশুৰ বাবে উপলব্ধ

JANASANYOG-1311/24/1-Sept-24

হৃদয় আৰু ৰক্তজনিত জটিল ৰোগত আক্ৰান্ত শিশুৰ বাবে

## ৰাজ্যজুৰি ৰোগ চিনাক্তকৰণ শিবিৰ আৰু পৰৱৰ্তী পৰ্যায়ত চিকিৎসা সেৱা

১-১০ ছেপ্টেম্বৰ ২০২৪



জন্মগতভাৱে হৃদৰোগত আক্ৰান্ত (CHD) ০-১৮ বছৰীয়া শিশুৰ বাবে উপলব্ধ

১০০% অনুদানমূলক স্বাস্থ্য সেৱা প্ৰদান

প্ৰয়োজন অনুসৰি নিৰ্দিষ্ট চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা

হৃৎপিণ্ডৰ জন্মগত বিসংগতি

বৰ্তমানলৈ উপকৃত শিশু প্ৰায় ১১,৭৫০গৰাকী



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সংশ্লিষ্ট অভিভাৱকসকলে নিজৰ শিশুসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে নিৰ্ধাৰিত ৰোগ চিনাক্তকৰণ শিবিৰলৈ আনিব পাৰিব

| তাৰিখ | পৰীক্ষা কেন্দ্ৰ | সামৰি লোৱা জিলাসমূহ | নিৰ্ধাৰিত চিকিৎসালয় | যোগাযোগ নম্বৰ |
|---|---|---|---|---|
| ১/৯/২০২৪ | জি এম চি এইচ, গুৱাহাটী | কামৰূপ (মহানগৰ), কামৰূপ | নাৰায়ণা হৃদয়ালয়, গুৱাহাটী | ৯৯৫৪০৭৫৪২৭ |
| ২/৯/২০২৪ | এন এম চি এইচ, নলবাৰী | নলবাৰী, বাক্সা | নাৰায়ণা হৃদয়ালয়, বাংগালোৰ | ৯৮৬৪০৬৬৭৭২ |
| ৩/৯/২০২৪ | এফ এ এ এম চি এইচ, বৰপেটা | বৰপেটা, বঙাইগাঁও, বজালী | নাৰায়ণা হৃদয়ালয়, বাংগালোৰ | ৯৪৩৫৯৭৩৫৩৭ |
| ৩/৯/২০২৪ | ডি এম চি এইচ, ধুবুৰী | ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা | নাৰায়ণা হৃদয়ালয়, গুৱাহাটী | ৯৪৩৫০১৬৫০৭ |
| ৪/৯/২০২৪ | কে এম চি এইচ, কোকৰাঝাৰ | কোকৰাঝাৰ, চিৰাং | নাৰায়ণা হৃদয়ালয়, কলিকতা | ৯৪৩৫১০৫৩৭২ |
| ৫/৯/২০২৪ | এন এম চি এইচ, নগাঁও | নগাঁও, মৰিগাঁও, হোজাই | নাৰায়ণা হৃদয়ালয়, বাংগালোৰ | ৯৮৫৪০৬৫৯৯২ |
| ৫/৯/২০২৪ | টি এম চি এইচ, তেজপুৰ | শোণিতপুৰ, দৰং, বিশ্বনাথ, ওদালগুৰি | নাৰায়ণা হৃদয়ালয়, মুম্বাই | ৯৮৬৪০১৬৬৬৫ |
| ৬/৯/২০২৪ | জে এম চি এইচ, যোৰহাট | যোৰহাট, গোলাঘাট, শিৱসাগৰ, মাজুলী | নাৰায়ণা হৃদয়ালয়, কলিকতা | ৯৮৬৪০১৫৩৭২ |
| ৭/৯/২০২৪ | এল এম চি এইচ, লখিমপুৰ | ধেমাজি, লখিমপুৰ | নাৰায়ণা হৃদয়ালয়, মুম্বাই | ৭৫৭৮০০৩৫০০ |
| ৭/৯/২০২৪ | এ এম চি এইচ, ডিব্ৰুগড় | ডিব্ৰুগড়, চৰাইদেউ | নাৰায়ণা হৃদয়ালয়, বাংগালোৰ | ৮৭২৩০৫১৪৪৫ |
| ৮/৯/২০২৪ | টি এম চি এইচ, তিনিচুকীয়া | তিনিচুকীয়া | নাৰায়ণা হৃদয়ালয়, গুৱাহাটী | ৭৩৯৯০৯৫৪১১ |
| ৯/৯/২০২৪ | এছ এম চি এইচ, শিলচৰ | হাইলাকান্দি, কৰিমগঞ্জ, কাছাৰ | নাৰায়ণা হৃদয়ালয়, কলিকতা | ৯৪৩৫০৭১৩৬২ |
| ১০/৯/২০২৪ | ডি এম চি এইচ, ডিফু | ডিমা হাছাও, কাৰ্বি আংলং | নাৰায়ণা হৃদয়ালয়, মুম্বাই | ৯৪৩৫১৪৪৩৭২ |

অধিক তথ্যৰ বাবে যোগাযোগ কৰক
ডাঃ অভিজিৎ শৰ্মা, অধীক্ষক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়- ৯৮৬৪০২৩০৮৩ শ্ৰীদিপশিখৰ ডেকা- ৭৮৯৬৬৭৬৭৬৩

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা হোৱাটছএপ কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# অপচয়

মিহিৰ মৌচুম ৰয়,অভয়াপুৰী




অপচয় বিভিন্ন ধৰণে হব পাৰে। যেনে, খাই বৈ যোৱা ভাতখিনি, আধাখোৱাকৈ এৰা মিঠাই, চিঙাৰা, পৰঠা ইত্যাদি ইত্যাদি। অপচয় অকল খাদ্যতেই সীমাৱদ্ধ হৈ থকা নাই, কামৰ ক্ষেত্ৰতো হয়। যেনে- জেওৱাখনৰ কাম শেষ কৰাৰ পিছত ৰৈ যোৱা বাঁহৰ টুকুৰা, ঘৰ নিৰ্মাণৰ কাম শেষ হৈ যোৱাৰ পিছৰ কাঠৰ টুকুৰা, অৱশিষ্ট শিল-বালি-ইটা- চিমেন্ট আদিৰো অপচয় হয়। অপচয় হয় কাৰ্য্যালয়-আদালত আদিতো। কাৰ্য্যালয়-আদালত আদিত ব্যৱহাৰ কৰা কাগজ, আলপিন আদিৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰো অপচয় হয়। এই অপচয়বোৰ আমি সহজে ৰোধ কৰিব পাৰো। আমি সজাগ-সচেতন আৰু সুচাৰুকৈ ব্যৱহাৰবোৰ কৰি গ'লে অপচয়ৰ পৰা নিশ্চয় হাত সাৰি থাকিব পৰা যায়। যিখিনি খালে আমাৰ উদৰ পুৰ হয়, আমি সেইখিনিহে যদি খাওঁ, তেনেহলে- অৱশিষ্ট খিনি আনজনৰ বাবে এৰিলে খাদ্যৰ একো অপচয় হব নোৱাৰে। আমাৰ নিৰ্মাণৰ বেলিকা ৰৈ যোৱা বাঁহ-কাঠ- ইটা-শিল-বালি আদি সামগ্ৰীখিনি বাসস্থানহীন লোকক নামমাত্ৰ মূল্যত যোগান ধৰিব পাৰিলে অতিৰিক্ত সামগ্ৰীখিনি অপচয়ৰ হোৱাৰ পৰা ৰক্ষা কৰাৰ লগে লগে দুখীয়া লোকজনকো কম খৰছত ঘৰটো সজোৱাত সহায় কৰা হয়। কাৰ্যালয়বোৰত যধে-মধে ব্যৱহাৰ কৰাৰ ফলত কাগজ- কলম-আলপিন আদি সা-সামগ্ৰীবোৰৰ অবাধ গতিত অপচয় হয়। বিষয়া-কৰ্মচাৰীসকলে অলপ সজাগ-সচেতন হৈ কাম কৰিলে কাগজ-কলম-আলপিন আদি সামগ্ৰীবোৰ অপচয় হোৱাৰ পৰা ৰোধ কৰিব পাৰি। অসমৰ প্ৰায়বোৰ চৰকাৰী কাৰ্য্যালয়ৰ চৌহদত বিকল হৈ পৰি থকা গাড়ীৰ লানি দেখা যায়। ইয়াৰ সৰহসংখ্যক গাড়ী অকণমান মেৰামতি কৰিয়েই ব্যৱহাৰ কৰিব পাৰি। বিষয়াসকলে পুৰণি গাড়ী মেৰামতি কৰি ব্যৱহাৰ কৰাত অনীহা প্ৰকাশ কৰাৰ ফলতে এনেবোৰ গাড়ী বছৰ বছৰ ধৰি পৰি থাকে। এনেবোৰ গাড়ী নিলামৰ জৰিয়তে বিক্ৰী কৰাৰ ব্যৱস্থাৰে চৰকাৰী ধনৰ অপচয় ৰোধ কৰিব পাৰি। সুখৰ বিষয়, বহুত বিভাগে ইতিমধ্যে এনেধৰণৰ বিকল গাড়ীবোৰ নিলামত বিক্ৰী কৰাৰ ব্যৱস্থাৰে বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিছে। বিদ্যুতৰ নাটনি এতিয়া এটা ডাঙৰ সমস্যা। নাটনিৰ বাবে প্ৰয়োজনীয় সময়ত অসমৰ বহুত ঠাইত সঘনে বিদ্যুত কৰ্তন কৰিবলগীয়া হয়। কিন্তু শুনিবলৈ আচহুৱা হলেও, অসমত অপব্যৱহাৰেৰে আটাইতকৈ বেছি অপচয় কৰা হয়-বিদ্যুত। বহুত কাৰ্য্যালয়ত বিষয়া- কৰ্মচাৰীৰ অনুপস্থিতিত লাইট- ফেন- কম্পিউটাৰ-এচি অবাধে চলি থকা দেখা যায়। ইয়াৰোপৰি, সৰু-ডাঙৰ প্ৰায়বোৰ নগৰ-চহৰতে পুৱা এপৰলৈকে বাটৰ লাইটবোৰ অলাগতিয়ালকৈ জ্বলাই ৰাখি বিদ্যুতৰ অপচয় কৰা দেখা যায়। আমি যদি জাৰকালি পুৱা ৬ বজা আৰু জহকালি পুৱা ৮ বজাৰ পৰা বাট- পথ, অফিচ-কাছাৰী আদিৰ ৰাতিৰ লাইটবোৰ নুমুৱাই দিয়া হলে, আমি অলেখ বিদ্যুত ৰাহি কৰিব পৰা যাব।

# ৰিমিৰ শালিকীজনী

স্বাগতা বৰুৱা গোস্বামী



ভাদ মাহটো আমাৰ অসমীয়া মানুহৰ বৰ প্ৰিয় আৰু তাতোকৈও প্ৰিয় আমাৰ পপীৰ। ভাদ মাহটোত মাধৱদেৱৰ তিথি, শঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী এইদৰে বিদ্যালয়সমূহত বহুত বন্ধ পাই। পপীৰ মাক দেউতাক দুয়ো চৰকাৰী চাকৰিয়াল। পপীৰ গৰম বন্ধটোত এইবাৰ ক'লৈকো যোৱা নহ'ল। সেইবাবে এইবাৰ মাধৱদেৱৰ তিথি আৰু জন্মাষ্টমী একেলগে পৰাত মাজত দেওবাৰটো সোমাই যোৱাৰ বাবে তিনিদিন একেলেঠাৰিয়ে বন্ধ পাইছে। মাক দেউতাকহঁতেও তাৰ লগত দুদিন চুটি লৈ নগাঁৰৰ গাঁৰৰ ঘৰলৈ যোৱাৰ কথা চিন্তা কৰিছে। তাকে শুনি পপীৰ মনত আনন্দৰ সীমা নাইকিয়া হৈছে। তাতে তাই তাত খুড়াকৰ ছোৱালী ৰিমিক লগ পাব।

পপীহঁতৰ গাওঁখন নগাঁৱৰ টাউনৰ পৰা ছয় সাত কি:মি মান নিলগত। গাঁৱখনলৈ অহা-যোৱা কৰিবলৈ প্ৰথমে যাতায়ত ইমান সুচল নাছিল কিন্তু বৰ্তমানে ১২৬ ফুট উচ্চতাৰ এচিয়াৰ সৰ্ববৃহৎ লিঙ্গাকাৰ মহামৃত্যুঞ্জয় মন্দিৰ অৱস্থিত হোৱাৰ পৰা যোগাযোগ, যাতায়ত আদি ব্যৱস্থা বোৰ ভাল হৈ আহিছে। কিন্তু গাওঁ গাওঁ লগা মাদকতা খিনিযেন বহু পৰিমানে কমি গৈছে যিকি নহওঁক গাওঁখনৰ বহু লোকে হোটেল, দোকান দি জীবিকাৰ পথ উলিয়াই লৈছে। দিনটোত গাড়ী, বাইক, টেম্পু, ই-ৰিস্কা আদিৰ অবাধ চলাচল। তথাপিও নগৰতকৈ বহু পৰিমাণে প্ৰদুষণ মুক্ত।

শুক্ৰবাৰৰ দিনা ৰাতিপুৱাই তেওঁলোক আটাইকেইজন গুৱাহাটীৰ পৰা ন গাঁওলৈ বুলি ৰাওনা হৈছে। নিৰ্দিষ্ট সময়ত হাইৱেৰ পৰা গাৱৰ অভিমুখে যোৱাৰ ৰাষ্টাইয়েদি সোমাই আহিছে। সোমাইয়েই যেন চাৰিওফালৰ সেউজীয়াখিনিয়ে মনটো ফৰকাল কৰি পেলাইছে আটাইৰে। সেউজীয়াৰ মাজে মাজে আহি আহি তেওঁলোক ঘৰ পালেহি। ঘৰখন যেন পপীৰ লগতে পপীৰ মাক দেউতাকহঁতৰো বৰ প্ৰিয়। তেওঁলোকৰ পুৰণা ঘৰটো আজু ককাকৰ দিনৰে। অসম আৰ্হিৰ এটা প্ৰকাণ্ড ঘৰ যিটো ঘৰৰ লাইটৰ বৰ্ডখনেই সহজতে ঢুকি নাপাই। আগফালৰ ফুলনি পিছফালে পুখুৰী, শাক-পাছলিৰ বাৰীৰে সৈতে এখন সুন্দৰ ঘৰ। ঘৰ পাই ভৰি হাত ধুই সকলোৱে একেলগে ভাত পানী খাই অলপ জিৰণি ল'লে। আইতাকে পিছে জিৰণি ল'বলৈ যোৱা নাই কাৰণ আবেলি নামঘৰলৈ যাব লাগিব। এইকেইদিন গোটেই গাওঁ হৰিধ্বনিৰে মুখৰিত হৈ আছে। পপী আৰু ৰিমিও আইতাকৰ লগতে নামঘৰলৈ যোৱাৰ ধাগুত জিৰণি নাইলোৱা লগ পোৱাৰ পৰা দুয়োৰ কথাৰ অন্ত নাইহোৱা। কথা মতেই কাম নিৰ্দিষ্ট সময়ত পপী আৰু ৰিমিও ওলাইছে আইতাকৰ লগত যাবলৈ। নঙলাডাল খুলিবলৈ লৈ ৰিমিয়ে তাহাতৰ সাচিগছ- জোপাতে বাহ পাতি থকা শালিকা কেইটাক পপীক চিনাকি কৰি দিছে। এইজনী মোৰ আৰু তোমালোকৰ বা দেই। আমি নামঘৰৰ পৰা আহি তোমালোকৰ লগত খেলিম আৰু তোমালোকলৈ মগু লৈ আনিম দেই বুলি কৈ নামঘৰলৈ ৰাওনা হ'ল।

পিছদিনা ৰাতিপুৱাই সকলো মন্দিৰলৈ যাবলৈ ওলাতেই এখন তীব্ৰ বেগী গাড়ীয়ে আহি ৰিমিৰ মৰমৰ শালিকিজনীক খুন্দিয়াই থৈ গুছি গ'ল। লগালগ শালিকিজনী চটফটাই ৰাস্তাত বাগৰি পৰিলে। ইফালে ৰিমি আৰু পপীৰ চিঞৰ বাখৰ লাগিল। পপীৰ দেউতাকে গাড়ীত থকা পানী বটলৰ পৰা তাইক পানী খুৱাই দি লগা লগ ওচৰতে থকা পশু চিকিৎসালয় খনলৈ লৈ গ'ল। তাত তাইক ডাক্তৰে সু চিকিৎসা আগবঢ়ালে। ভঙা ভৰিখনত প্লাষ্টাৰ কৰি দিলে। এতিয়াহে যেন তাহাত দুইজনীয়ে সুন্দৰ কৈ উশাহটো লৈছে। তাৰপিছত ঘৰলৈ লৈ আহি শালিকিজনীক সেইদিনা দুপৰীয়া তাহাতৰ বাৰান্দাখনতে ৰাখিলে, সিফালে শালিকিজনীক নেদেখি শালিকাটোৱে ইফালৰ পৰা সিফালে ঘূৰি ফুৰিছে। তাৰ অৱস্থা দেখি বেয়া লাগি পপীৰ দেউতাকে শালিকিজনীক আলফুলে বাহটোত থৈ আহিলগৈ। তেনেতে শালিকাটো পুনৰ বাহলৈ আহি শালিকিজনীক দেখি যেন তাৰ চকুৰ পৰা আনন্দতে লোটক বাগৰি আহিছে তাৰপিছত দুয়ো নিজৰ মাজতে নিজৰ ভাষাত বহু কথা পাতিছে। তাহাতৰ আনন্দ দেখি পপীৰ দেউতাকে পপী আৰু ৰিমিক মাতি আনিছে আৰু দুয়োজনীকে বুজাইছে আমি যেনেকৈ মানুহৰ প্ৰতি সহানুভূতিশীল ঠিক তেনেদৰেই প্ৰানী বা পক্ষীকূল সমূহৰ প্ৰতিও সহানুভূতিশীল হোৱাৰ দৰকাৰ। বিনাকাৰণত তেওঁলোককো মাৰিব নাপাই আৰু কাৰণ তাহাতৰো জীয়াই থকাৰ অধিকাৰ আছে। তাৰোপৰি যান বাহন চলোৱাৰ সময়ত তীব্ৰ গতিবেগ সকলোৰে বাবে হানিকাৰক বুজিলা এতিয়া আইতাৰ লগত নামঘৰলৈ যোৱা তাৰপৰা অহাৰ পিছত আমি মৃত্যুঞ্জয় মন্দিৰলৈ গধূলিৰ আৰতি চাবলৈ যাম দেই।

# সুখী হোৱাৰ বাটেৰে



হীৰক কলিতা, স্নাতক পঞ্চম ষাণ্মাসিক,
অসমীয়া বিভাগ, নলবাৰী মহাবিদ্যালয়

জীৱন মানে খলা- বমা, একা- বেকা পথ । যদি জীৱনত সকলো বস্তু ঠিকে থাকে তেন্তে সুখ- দুখৰ অনুভৱ কোনে বুজিব ? মানুহৰ জীৱন সুখ- দুখৰ সমাহাৰ। প্ৰত্যেকজন মানুহে এবাৰ হ'লেও জীৱনত সুখ-দুখ অনুভৱ কৰে। কিন্তু কিছুমান মানুহৰ জীৱনক লৈ সদায় আপত্তি এই ধৰক আপুনি এখন চাইকেল ল'লে তাৰ পিছত এখন বাইক ল'বৰ মন গ'ল তাৰ পিছত আকৌ এখন চাৰিচকীয়া ল'বৰ মন গ'ল। কিন্তু কেতিয়াবা ভাবি চাইচেনে এখন চাইকেল লৈও কিছুমান মানুহ বহুত সুখী আৰু কিছুমান মানুহ অজস্ৰ সম্পত্তিৰ অধিকাৰী হৈও দুখী। আচলতে আমি আমাৰ লগত থকা বস্তুবোৰক কেতিয়াও গুৰুত্ব নিদি আমাৰ লগত নথকা বস্তুবোৰৰ প্ৰতিহে সদায় আকৰ্ষিত হও। আপুনি আজি যিখিনি পাইছে কিছুমান মানুহে আকৌ সেই খিনি পাবলৈ বহু যুদ্ধ কৰি আছে কিন্তু তেনেস্থলত আপুনি জানো সুখী নহয় ? জীৱনত থকা বস্তুবোৰক লৈ সদায় সুখী হ'ব লাগে কিছুমান বস্তুটো বিচাৰিলে আমাৰ ভাগ্যত নাথাকে । যিখিনি নাই অথবা পোৱা নাই সেই খিনিৰ লগত লাগি থকাতকৈ আপোনাৰ নিজৰ লগত থকা বস্তুবোৰৰ মূল্য বুজিবলৈ চেষ্টা কৰক দেখিব খুব কম সময়ৰ ভিতৰতে আপুনিও এদিন এজন সুখী মানুহ হ'ব ।

# Visit to Helping Hand Old Age Home: A Heartfelt Contribution by Axomiya Yuva Jagaran Samiti and Creative Talents

On 27th August 2024, the team from Axomiya Yuva Jagaran Samiti, in collaboration with Creative Talents, paid a visit to Helping Hand Old Age Home, a prominent facility dedicated to the care and support of elderly residents in Guwahati.

**A Focus on Care and Comfort**

Helping Hand Old Age Home, founded under the Helping Hand Trust and managed by Milan Kakati since June 2016, is known for its commitment to providing a secure and supportive environment for senior citizens. The home currently accommodates 26 elderly residents. The facility is well-maintained, with a structured system of rooms, fixed meal timings, and a common TV area to foster a sense of community among the residents. The terrace is adorned with various plants, adding a touch of greenery and tranquility to the environment.

**Team Contributions and Interaction**

The visiting team from Axomiya Yuva Jagaran Samiti and Creative Talents was chaired by Nikunja Sharma, the co-founder of Axomiya Yuva Jagaran Samiti and founder of Creative Talents. The event was organised under the guidance of Social Service Secretary Swarnali Debnath, ensuring a smooth and impactful execution of the visit. The team members included:

- Nikunja Sharma (Project Chair, Co-founder of Axomiya Yuva Jagaran Samiti and Founder of Creative Talents)
- Prakritish Bhattacharyya (Head of Public Relations and External Affairs of Creative Talents)
- Madhurjya Das (Assistant Cultural Secretary of Axomiya Yuva Jagaran Samiti)
- Aswini Kumar Deka
- Rahul Sah
- Jyoti Prasad Barman

The team members contributed food items to the residents, aiming to support their daily needs and provide some comfort. They engaged in meaningful interactions with the elderly residents, seeking their blessings and discussing various aspects of life with them.

**Engagement with the Management**

During the visit, the team also had the opportunity to converse with Milan Kakati, the manager of the old age home, and engage with a PhD research fellow associated with the facility. These discussions provided insights into the challenges and successes of managing an old age home and highlighted the importance of compassionate care in such settings.



Nikunja Sharma

**A Gesture of Gratitude**

The visit underscored the collective effort of both Axomiya Yuva Jagaran Samiti and Creative Talents to enhance the lives of senior citizens. The team's presence and contributions were well-received, and the interactions left a positive impact on both the residents and the management.

Helping Hand Old Age Home continues to be a beacon of hope and care for the elderly in Guwahati, and the collaboration between these organizations exemplifies a dedicated effort towards improving the quality of life for senior citizens.

# লক্ষ্মীনাথ বেজবৰুৱাৰ গণিত

বন্দিতা শৰ্মা কন্দলি




সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা কেৱল অসমীয়া সাহিত্য জগতৰ মহাৰথী নাছিল, তেওঁৰ গণিতৰ প্ৰতিয়ো বিশেষ আকৰ্ষণ আছিল। সেয়ে তেওঁৰ ৰসাল ৰচনা সমূহত গাণিতিক উপমাৰ ব্যৱহাৰ দেখা পোৱা যায়। তেওঁ গণিতৰ সৌন্দৰ্য উপভোগ কৰি সংৰক্ষণ কৰিছিল। সেইবোৰ জোনাকী আলোচনীৰ চতুৰ্থ ভাগ -দশম সংখ্যাত প্ৰকাশ পাইছিল। তেওঁ ৩৭ আৰু ৭৩ সংখ্যা কেইটাৰ বিভিন্ন চানেকিৰে ৰসাল কৰি তুলিছিল। ৩৭ সংখ্যা টোক ৩ ৰ গুণিতকৰে পূৰণ কৰিলে একেটা সংখ্যাকে তিনিবাৰ ওলাই আৰু সেই তিনিটা যোগ কৰিলে পূৰণ কৰা সংখ্যা টোকে পাওঁ। চোৱা যাওক - ৩৭ ক ৩ ৰ গুণিতক ৩, ৬, ৯, ১২, ১৫, ১৮, ২১, ২৪, ২৭, ৩০, ৩৩....... ৰে পূৰণ কৰিলে পাম

৩৭×৩=১১১, (১+১+১=৩)

৩৭×৬=২২২, (২+২+২=৬)

৩৭×৯=৩৩৩, (৩+৩+৩=৯)...

৩৭×২৭=৯৯৯, (৯+৯+৯=২৭)

৩৭×৩০=১১১০,

৩৭×৩৩=১২২১,

৩৭×৩৬=১৩৩২,

৩৭×৫৪=১৯৯৮,...

৩৭×৫৭=২১০৯,

(বাৰপৃষ্ঠাত চাওক)

# গধূলি বেলিকা

সঞ্জীৱনী বৰা, গোলাঘাট



গন্ধ বিভোৰ সন্ধিক্ষণত
শুক্ল পক্ষৰ ৰাতিবোৰে, ভৰাই তুলিছিল
হিংসুক প্ৰাণীবোৰে
শুহি লৈ গ'ল ভাৱনাৰ ডৰিয়লি
ৰ'দে বিদীৰ্ণ কৰিছে মাটিৰ গোন্ধ থকা মন
দানৱীয় ভাষাত কোবাই গ'ল বতাহজাকে
নিশকতীয়া হৈ খহি পৰিল গছৰ ডাল,
খিনাই গ'ল জোনটো,
আকাংক্ষাৰ কথা পাহৰাই পেলালে,
জীৱনৰ সৰুবৰৰ আশ্ৰুকণাই খুন্দিয়াইছে
দূৰ - সুদূৰৰ বলুকাত
আবেগৰ আঁচলবোৰ বান্ধি থৈছো
ধূলিৰ পথটো মনত আছে,
বাঁহজোপাত চিঞৰা শালিকিবোৰৰ
মাত শুনি প্ৰাণ পালো
সন্দেহৰ বতাহে ডাৱৰ হৈ ঢাকি ধৰা
ৰ'দে বিদীৰ্ণ কৰা মন
আকলুৱা আকাশে নমালে
ৰূপালী মুকুতাৰ ৰং।

# ইতিহাস ৰচি ডুৰাণ্ড কাপৰ

ইউনাইটেডে। উল্লেখ্য যে, নৰ্থ-ইষ্ট ইউনাইটেড দলে আটাইকেইখন মেচতে জয়লাভ কৰি খিতাপ দখল কৰাৰ অনবদ্য সফলতা অৰ্জন কৰিছে। অৱশ্যে চেম্পিয়নৰ দৰেই খেলত প্ৰত্যাশিত আৰম্ভনি কৰিছিল মোহন বাগানে। দলে আক্ৰমণৰ ৰণনীতি আৰম্ভণিৰ পৰাই লৈ খেলৰ এঘাৰ মিনিটতে গ'ল কৰি ১-০ৰ অগ্ৰগতি লয়। ঘৰুৱা দলটোৰ হৈ প্ৰথমটো গ'ল কৰে কামিংছে। এই গ'লে মোহন বাগানৰ আত্মবিশ্বাস বৃদ্ধি কৰে। বিৰতিৰ পূৰ্বেই মোহন বাগানে অগ্ৰগতি ২-০ কৰিবলৈ সক্ষম হয়। ৪৫ মিনিটত মোহন বাগানৰ হৈ গ'ল কৰে ছাহালে। কিন্তু প্ৰথমাৰ্ধত চাপৰ সন্মুখীন হোৱা নৰ্থ-ইষ্ট ইউনাইটেডে দ্বিতীয়াৰ্ধত সম্পূৰ্ণৰূপে বিপৰীত শৈলীৰ খেল খেলে। বিপক্ষৰ গ'ল বক্সত আৰম্ভণিৰ পৰাই চাপ সৃষ্টি কৰে নৰ্থ-ইষ্ট ইউনাইটেডে। মেচখনৰ ৫৫ মিনিটত আজাৰাই গ'ল কৰি নৰ্থ-ইষ্ট ইউনাইটেডক খেললৈ প্ৰত্যাৱৰ্তন কৰায়। ব্যৱধান ২-১ লাভ কৰাৰ দুই মিনিট পাছতে নৰ্থ-ইষ্ট দলৰ হৈ ৫৮ মিনিটত গুইলেৰ্মোই দ্বিতীয়টো গ'ল কৰে। ফলত মেচখন নিৰ্ধাৰিত সময়ত ২-২ গ'লত অমীমাংসিত হয়।

# নাৰীৰ বিৰুদ্ধে হোৱা

মোদীয়ে কয়- উচ্চতম ন্যায়ালয়ে জৰুৰী অৱস্থাৰ সময়তো মৌলিক অধিকাৰক নিশ্চিত কৰিছিল। যেতিয়াই ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি প্ৰশ্ন আহি পৰে, তেতিয়াই উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় সংহতিক বৰ্তাই ৰখাত নিৰ্দেশনা দিয়ে। স্বাধীনতাৰ অমৃতকালত দেশৰ ১৪০ কোটি জনতাৰ এটাই স্বপ্ন- বিকশিত ভাৰত, নতুন ভাৰত। নতুন ভাৰত হৈছে আধুনিক ভাৰতৰ চিন্তা আৰু সিদ্ধান্ত। আমাৰ ন্যায়িক ব্যৱস্থাই এই দৃষ্টিভংগীৰ শক্তিশালী স্তম্ভ। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উচ্চতম ন্যায়ালয়ৰ ৭৫ বাৰ্ষিকী উপলক্ষে এটা স্মাৰক মুদ্ৰা আৰু ষ্টাম্প উন্মোচন কৰে। অনুষ্ঠানত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ওে ন্যায়িক ব্যৱস্থাৰ ওপৰত মন্তব্য দিয়ে। উচ্চতম ন্যায়ালয়ৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে জিলা ন্যায়াধীশৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলনত ৮০০তকৈ অধিক ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ পৰা ন্যায়াধীশে অংশগ্ৰহণ কৰে।

# ছিপাঝাৰত বিনামূলীয়া গাহৰি

মহিলাসকলক বিভিন্ন আঁচনিত সহযোগিতা আগবঢ়াবলৈ জিলাৰ বেংক বিষয়াসকলক আহ্বান জনায়। অনুষ্ঠানত ইউকো বেংকৰ ছিপাঝাৰ শাখাৰ সহকাৰী প্ৰবন্ধক ৰবীন্দ্ৰ ৰাভা আৰু পাঞ্জাৱ নেচনেল বেংকৰ ছিপাঝাৰ শাখাৰ সহঃ পৰিচালক জ্যোতিৰ্ময় তালুকদাৰে বক্তব্য ৰাখি বিকাশ ক্ষম আৰু উপযুক্ত আঁচনি প্ৰশিক্ষাৰ্থী সকলে দাখিল কৰিলে সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। অনুষ্ঠানত অসম উন্নতি সভাৰ দৰং জিলা সমিতিৰ সভাপতি তিলক চন্দ্ৰ চৌধুৰীয়ে বক্তব্য ৰাখি জিলাখনৰ খিলঞ্জীয়া নিবনুৱা যুৱক-যুৱতী, মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিবলৈ অসম উন্নতি সভাই গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত দৰং আছুৰ নেতা হৃদয় বৰুৱাই খিলঞ্জীয়া অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি অহা বুলি উল্লেখ কৰি বক্তব্যত কয়-" বহিৰাগত লোকসকলে আমাৰ পথাৰ আৰু বজাৰ দখল কৰি লৈছে।এই পথাৰ আৰু বজাৰ অনা অসমীয়াৰ হাতৰ পৰা খিলঞ্জীয়াৰ দখললৈ আনিবলৈ সম্প্ৰতি অৰ্থনৈতিক যাত্ৰাৰ এক নতুন চিন্তাৰ উদ্গীৰণ হৈছে। আমি সকলোৱে এই অৰ্থনৈতিক যাত্ৰাৰ অংশীদাৰ হব লাগিব।" অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ৰজনীকান্ত নাথ, অসম উন্নতি সভাৰ দৰং জিলা সমিতিৰ সম্পাদক বিষ্ণুৱাই শৰ্মা, আৰছেটিৰ সঞ্চালক বিজয় শৰ্মা, অসম উন্নতি সভাৰ দৰং জিলা সমিতিৰ উপ সভাপতি মদন চন্দ্ৰ নাথ আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখে। উল্লেখযোগ্য যে দহ দিনীয়াকৈ অনুষ্ঠিত গাহৰি আৰু ছাগলী পালনৰ এই বিনামূলীয়া প্ৰশিক্ষণত জিলা খনৰ ৬৪ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ লয়। উল্লেখ্য যে উক্ত প্ৰশিক্ষণৰ কালছোৱাত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা দৰঙৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ জিতেন্দ্ৰ কুমাৰ নাথ, পশু চিকিৎসা বিষয়া ক্ৰমে ডাঃ অক্ষয় কুমাৰ ডেকা, ডাঃ বাজৰুল ইছলাম, ডাঃ অজয় বনিয়া, ডাঃ জ্যোতিৰ্ময় চহৰীয়া, ডাঃ নাজনিন আৰা এফ ইলিয়াছ, ডাঃ বনানী দাসে পশুপালনৰ বিজ্ঞান সন্মত দিশৰ প্ৰশিক্ষণ প্ৰদান কৰে। আনহাতে উদ্যমিতাৰ সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে আৰছেটিৰ সঞ্চালক বিজয় শৰ্মা, জ্যেষ্ঠ প্ৰশিক্ষক কিশোৰ কুমাৰ শৰ্মা আৰু প্ৰশিক্ষক মানবেন্দ্ৰ শৰ্মাই। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

# ২৩,৯৫৬গৰাকী

নিয়মীয়াকৰণৰ বাবে আবেদন জনাইছিল। ন্যায়ালয়ে শিক্ষা বিভাগক এই বুলি নিৰ্দেশ দিয়ে যে যিসকলে আবেদন জনাইছে তেওঁলোকৰ নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া আগুৱাই নিব লাগে। অৱশ্যে ষ্টেটপুল ঠিকাভিত্তিক শিক্ষক সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ শুনানি প্ৰক্ৰিয়া অব্যাহত ৰাখিব গুৱাহাটী উচ্চন্যায়ালয়ে। ন্যায়ালয়ৰ এই নিৰ্দেশৰ পাছতেই শিক্ষা বিভাগে শিক্ষকসকলৰ পদ নিয়মীয়াকৰণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰিয়ে ২ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰে নিয়মীয়াকৰণৰ বাবে আবেদন জনোৱা প্ৰায় ২৪ হাজাৰ শিক্ষকক নিযুক্তি-পত্ৰ বিতৰণ কৰিব।

# হিমন্ত বিশ্বক অপসাৰণৰ দাবী

থকা এজন মানুহে কেতিয়াও নিজকে পগলা কুকুৰ বুলি কৈ মুখ্যমন্ত্ৰী পদৰ মৰ্যাদা হানি কৰিব নোৱাৰে আৰু ইয়াৰ বাবে তেওঁ সাংবিধানিক পদত থকা সকলো যোগ্যতা হেৰুৱাই পেলাইছে বুলিও স্মাৰক পত্ৰত উল্লেখ কৰিছে বিৰোধী ঐক্য মঞ্চই। লগতে বিধানসভাৰ বাহিৰে-ভিতৰে বিগত সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে কৰি অহা ভীষণ সাম্প্ৰদায়িক মন্তব্যসমূহৰ কথাও স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে। স্মাৰকপত্ৰখনত ক'ত কেতিয়া কেনেকৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কি প্ৰসংগত সাম্প্ৰদায়িক সংঘৰ্ষৰ উদগনি যোগাব পৰা মন্তব্য কৰিছে সেয়াও স্পষ্টকৈ উল্লেখ কৰি দিছে বিৰোধী ঐক্য মঞ্চই। আইন-শৃংখলা নিয়ন্ত্ৰণৰ দায়িত্বত থাকিও মুখ্যমন্ত্ৰীগৰাকীয়ে নিজেই আইন-শৃংখলা ভংগ কৰিবলৈ ন্যস্ত স্বাৰ্থজনিত মহলক প্ৰৰোচিত কৰাৰ কথাও স্মাৰক পত্ৰখনত উল্লেখ কৰিছে। একেদৰে মুখ্যমন্ত্ৰীগৰাকীৰ নেতৃত্বত কিদৰে অবাধ হাৰত দুৰ্নীতি-অনিয়ম সংঘটিত হৈছে সেয়াও উল্লেখ কৰিছে। এনে এগৰাকী সংবিধান বিৰোধী ব্যক্তি মুখ্যমন্ত্ৰীৰ দৰে পদত থকাৰ যোগ্য নহয় বুলি উল্লেখ কৰি ৰাজ্যখনত শান্তি-সম্প্ৰীতি অব্যাহত ৰখাৰ স্বাৰ্থত শীঘ্ৰেই অপসাৰণৰ ব্যৱস্থা কৰিবলৈ স্মাৰকপত্ৰযোগে আহ্বান জনাইছে বিৰোধী ঐক্য মঞ্চই।

# মুখ্যমন্ত্ৰী ড° হিমন্ত

লাভ কৰাৰ লক্ষ্য আৰু যোগীৰ চীনা সংস্কৰণত পৰিণত হোৱা অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে মুছলিমক হাৰাশাস্তি কৰিবলৈ বিভিন্ন কাৰ্য কৰি আছে। মোদী-শ্বাহৰ আকৰ্ষণ লাভ কৰিবলৈ আৰু সমাজখনক ধৰ্মীয় মেৰুকৰণ কৰাৰ লক্ষ্যৰে বিজেপিয়ে মুছলিম ভাতৃসকলৰ বিৰুদ্ধে ঘৃণা বিয়পোৱাৰ লক্ষ্য লৈছে। আৰ এছ এছৰ বাহিৰে দেশৰ সকলো ধৰ্মৰ লোকৰ দেশৰ স্বাধীনতাত হাত আছে। আমাৰ মুছলিম ভাতৃসকলেও দেশৰ স্বাধীনতা আনিবলৈ বলিদান দিছে। দীৰ্ঘদিন ধৰি একেলগে আছোঁ। কোনেও তেওঁলোকক আঘাত কৰিব নোৱাৰে। ইপিনে ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কৰা তেজস্বী যাদৱৰ মন্তব্যত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিজেপিয়ে। দলটোৰ মুখপত্ৰ শ্বেহজাদ পুনাৱালাই তেজস্বী যাদৱৰ মন্তব্যক কংগ্ৰেছৰ আন্তঃৰাষ্ট্ৰীয় অধ্যক্ষ ছাম পিত্ৰদাৰ সৈতে তুলনা কৰিছে। ইণ্ডিজোঁটে বৰ্ণবাদী মানসিকতাক পোষকতা কৰে। পিত্ৰদাৰ অনুপ্ৰেৰণাতে অপৈণত যাদৱৰ মানসিকতা গঢ় লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চাইনিজ বুলি তেজস্বী যাদৱে এই কাৰণেই কৈছে যে ড° হিমন্ত বিশ্ব শৰ্মা অসমীয়া আৰু উত্তৰ-পূবৰ। ইণ্ডিজোঁটৰ নেতা তেজস্বীৰ এনে বৰ্ণবাদী মন্তব্যই ৰাহুল গান্ধী, গৌৰৱ গগৈৰ প্ৰেমৰ দোকানক প্ৰতিফলিত কৰেনে? কংগ্ৰেছে আৰজেডিৰ সৈতে তেজস্বীৰ এনে অসাংবিধানিক, ভাৰত জোড়োবিৰোধী, বৰ্ণবাদ আৰু ঘৃণাসূচক বক্তব্যৰ বাবে সম্পৰ্ক ছিন্ন কৰিবনে।

# মঙলদৈত স্মাৰ্ট মিটাৰৰ

চৰকাৰে। এপিডিচিএলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে আমি ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছোঁ। যি সময়ত মোদী, অমিত শ্বাহ, গৌতম আদানিয়ে নিজৰ ৰাজ্য গুজৰাটত প্ৰিপেইড স্মাৰ্ট মিটাৰ সংস্থাপন কৰা নাই, সেই সময়ত অসমত মাথোঁ সাধাৰণ ৰাইজৰ ওপৰত লুণ্ঠন চলাবলৈ এই অন্যায় ব্যৱস্থা জাপি দিছে। ৰাইজে বিজেপিৰ এই অন্যায়ৰ বিৰুদ্ধে মাৰ বান্ধি ওলাই আহক।" প্ৰতিবাদী কাৰ্য্যসূচীৰ নেতৃত্ব দিয়ে দৰং জিলা আম আদমী পাৰ্টিৰ আহ্বায়ক আখতাৰুল ইছলাম হাজৰিকাই। দলৰ আহ্বায়ক হাজৰিকাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ চিন্তা কৰিবলৈ এৰি ৰাজ্যখনৰ দৰিদ্ৰ ৰাইজৰ স্বাৰ্থত জনকল্যাণকামী আঁচনি প্ৰৱৰ্তন কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত আপৰ আন এগৰাকী নেতা নীলমণি শইকীয়াই প্ৰিপেইড স্মাৰ্ট মিটাৰে সৃষ্টি কৰা সমস্যা সন্দৰ্ভত বক্তব্য দাঙি ধৰে। তেওঁ দিল্লী আৰু পঞ্জাৱৰ আপৰ চৰকাৰৰ দৰে অসমতো কমেও ২০০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুৎ যোগান আঁচনি গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়। প্ৰতিবাদস্থলীৰ পৰাই আপৰ নেতৃবৃন্দই মঙলদৈৰ চক্ৰ বিষয়াৰ জৰিয়তে স্মাৰ্ট মিটাৰ অবিলম্বে প্ৰত্যাহাৰৰ দাবীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# বতাহঘুলিত গণেশচতুৰ্থী

ৰঙিলী বাৰ্তা সেৱা- বৃহত্তৰ বতাহঘুলি-পাঞ্জাবাৰী শ্ৰীশ্ৰী গণেশ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত ৰাইজৰ সহযোগত অহা ৭ আৰু ৮ ছেপ্টেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে গণেশ চতুৰ্থী উদযাপন কৰিবলৈ লোৱা হৈছে। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৭:০০ বজাত বন্তি প্ৰজ্বলন, ৮:০০ বজাত শ্ৰীশ্ৰী গণেশ চতুৰ্থী পূজাৰম্ভ, ১১:০০ বজাত স্থানীয় আয়তীসকলৰ নাম প্ৰসংগ, দিনৰ ১২:৩০ বজাত মহা শান্তি ও পুষ্পাঞ্জলি প্ৰদান, দিনৰ ১:০০ বজাৰ পৰা ভোগ আৰু খিচিৰী বিতৰণ আৰু আবেলি ৪:০০ বজাৰ পৰা ওজাপালি প্ৰদৰ্শন। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি সন্ধিয়া ৬:০০ বজাৰ পৰা অসমৰ এগৰাকী জনপ্ৰিয় ছোৱালী নাগাৰা নামৰ পাঠিকা কৰিশ্মা নাথৰ নাম প্ৰদৰ্শন। কাৰ্যসূচীত উপস্থিত থাকিবলৈ সভাপতি ৰণজিৎ কুমাৰ বায়ন আৰু সম্পাদক ধৰণীধৰ তালুকদাৰে অনুৰোধ জনাইছে।

## ENGLISH NEWS SECTION

# ASDMA conducts Workshop on Resilient Housing

Guwahati,RB News: A workshop on Resilient Housing, organized by the Project Implementation Unit (PIU) of the Assam Integrated River Basin Management Program (AIRBMP)-a project under the Assam State Disaster Management Authority (ASDMA)-was held in Dispur. Several stakeholders working on alternative and indigenous construction materials in Assam participated in the discussions. Shri Gaurav Upadhyay, IPS, Project Officer of AIRBMP, highlighted the importance of the Resilient



Housing Technology Demonstration Unit in addressing the challenges posed by climate change. Elaborating on the topic, Dr. P.K. Das, TDU Advisor for ASDMA, noted that Assam has the opportunity to adopt climate-resilient housing by involving local communities and utilizing materials available locally.As part of the Climate Resilient Villages initiative, the Resilient Housing Technology Demonstration Unit will showcase the use of indigenous, alternative, and sustainable construction materials sourced locally to develop housing units suitable for communities across the state. Individuals and organizations involved in construction with locally available materials and closely collaborating with communities participated in the workshop.AIRBMP has been working to mitigate the risks posed by climate-related disasters to people's livelihoods by strengthening institutions, bridging crucial knowledge gaps, and implementing comprehensive solutions through a well-structured, basin-wide planning process. Implemented by ASDMA and the Water Resources Department (WRD), AIRBMP aims to enhance the state's disaster response capabilities to address emerging climate challenges. Present at the meeting were officials from the Panchayat and Rural Development Department (PNRD), ASDMA, and experts in construction, architecture, and disaster management.

## Avani Lekhara becomes 1st Indian woman to win 2 golds at Paralympics



RB News: Shooter Avani Lekhara has become the first-ever Indian woman to win two gold medals in the history of Paralympics. The 22-year-old shot a score of 249.7 to clinch gold in the R2 - Women's 10m Air Rifle Standing SH1 final at Paris 2024 Paralympics.

## Manish Narwal wins silver medal in 10m air pistol shooting

RB News: Shooter Manish Narwal bagged silver medal in the men's 10m Air Pistol SH1 event at the Paris 2024 Paralympics. He shot a total score of 234.9 to win his second Paralympic medal. In Tokyo Paralympics, he had bagged gold medal in the mixed 50m Pistol SH1 event.



## Shuttler Mandeep Kaur enters Paris Paralympics quarterfinal



RB News:India's para-badminton player Mandeep Kaur entered the quarterfinals of the women's singles SL3 category in the Paris Paralympics after defeating Australia's Vinot Celine Aurelie. Mandeep regrouped to win her last group B match 21-23, 21-10, 21-17 against Aurelie. She had lost her opening match to Nigeria's Bolaji Mariam.

## Mona Agarwal won bronze medal at Paris Paralympics



RB News: India's Mona Agarwal, a skilled para-shooter, successfully secured a bronze medal in the women's 10m air rifle standing SH1 event at the Paris Paralympics, scoring 228.7 points in the final standings. She was born in 1987 and hails from Rajasthan. She had won a gold medal at the Para Shooting World Cup in New Delhi in March 2024.

## Preethi Pal wins bronze in Paralympics women's T35 100m event



RB News: Para athlete Preethi Pal has become the first-ever Indian to win a medal in a track event in the history of Paralympics. The 23-year-old bagged bronze medal by clocking 14.21 seconds in the women's 100m - T35 event at Paris 2024 Paralympics. It is India's third medal at the ongoing Paralympic Games.

# লক্ষ্মীনাথ বেজবৰুৱাৰ গণিত

৩৭×৬০=২২২০,
৩৭×৬৩=২৩৩১...
কি যে সৌন্দয!
১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ × ৪ ৫ = ৫৫৫৫৫৫৫৫৫০৫,
১২৩৪৫৬৭৮-৯×৫৪=৬৬৬৬৬৬৬৬৬০৬,
ওলোটাই দিলে অৰ্থাৎ
৯ ৮ ৭ ৬ ৫ ৪ ৩ ২ ১ × ৪ ৫ = ৪৪৪৪৪৪৪৪৪৪৫,
৯ ৮ ৭ ৬ ৫ ৪ ৩ ২ ১ × ৫ ৪ = ৫৩৩৩৩৩৩৩৩৩৪,
৩৩৩৩৩৩৩৩৩৩×২৭=২৬৬৬৬৬৬৬৬৬৬৭,
৩৩৩৩৩৩৩৩৩৩×৭২=৭১১১১১১১১১১২,

বেজবৰুৱা ৰচনাৱলীত থকা আন এটা ৰসাল সংখ্যা হৈছে ১৪২৮৫৭। এই সংখ্যাটোক ১, ২, ৩, ৪, ৫, ৬ ৰে পূৰণ কৰিলে সংখাটোকে ঘুৰি থাকে।
১৪২৮৫৭×১=১৪২৮৫৭,
১৪২৮৫৭×২=২৮৫৭১৪,
১৪২৮৫৭×৩=৪২৮৫৭১,
১৪২৮৫৭×৪=৫৭১৪২৮,
১৪২৮৫৭×৫=৭১৪২৮৫,
১৪২৮৫৭×৬=৮৫৭১৪২,
১৪২৮৫৭×৭=৯৯৯৯৯৯,

বেজবৰুৱাৰ ৰচনাত কৃপাবৰ বৰবৰুৱা এটা ৰসাল চৰিত্ৰ আছিল। তেওঁ অসমীয়া সমাজৰ ভণ্ডামি, কপটতাক তীব্ৰ ভাৱে ব্যংগ কৰি উদঙাই দেখুৱাইছিল। তেওঁৰ গাণিতিক উপমা মন কৰিবলগীয়া। যেনে -
(মিছা)$^2$+(ভণ্ডামি)$^3$= অসম সমাজ
(ভিতৰক'লা)$^2$+(বাহিৰ বগা)$^3$=অসমীয়া ।
(ভোজ)$^2$- মদ$^2$ -(কুকুৰা)$^2$=০
বিয়া -(তিৰোতা)$^2$=০
শৰাধ -দক্ষিণা = ০ । অৰ্থাৎ শৰাধত দক্ষিণা নাথাকিলে লাভ নাই। কলকাতাত কেইদিনমান থাকিয়েই মাতৃভাষা অসমীয়া পাহৰিবলৈ ধৰা লোকক ব্যংগ কৰি কৈছিল এই কেইদিনতে 'মঘুৱাৰ' অসমীয়া ভাষাৰ মাটিডৰাৰ আয়তন জোখত অনেক কম হৈ পৰিছিল, কাৰণ বঙলা ভাষাই তাৰ সীমা ঠেলি নি সৰহভাগ নিজৰ ঢাপৰ ভিতৰুৱা কৰি পেলাইছিল। এনেদৰেই বেজবৰুৱাৰ ৰসাল সাহিত্যত গণিতে ভূমুকি মাৰিছিল।






ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286